চান্দমামা

ছেপটেমবাৰ ১৯৯৭



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ঐতিহ্যময় সৌন্দর্য! একান্ত নির্ভরযোগ্য!!

মেরি
স্বর্ণাচ্ছাদিত অলঙ্কারাদি

অঙ্গশোভার জন্য সৃষ্টি, শিল্পকর্ম ও অনবদ্য গঠন-শৈলী— উভয়ের জন্য সমাদৃত। মেরি— গত ৩৫ বৎসর যাবৎ স্বর্ণাচ্ছাদিত অলঙ্কার প্রস্তুতিতে নিযুক্ত এক সুপ্রসিদ্ধ সংস্থা। নিম্নে প্রদর্শিত কয়েকটি ডিজাইন ভি.পি.পি. দ্বারা ক্রয় করা যেতে পারে। অলঙ্কারগুলির চিহ্ন-সংখ্যা উল্লেখ করে আপনার প্রয়োজনাদি অর্ডার করুন। ভি.পি.পি.-র খরচ বিনামূল্যে। এ-ছাড়া ১৫০ পৃষ্ঠার বিনামূল্য রঙীন ক্যাটালগের জন্য লিখুন।



MERI GOLD COVERING WORKS
Post Box : 1405, 18, Ranganathan Street, T. Nagar,
Chennai 600 017. Phone : 4344671, 4342513

চান্দমামা

ছেপটিমবাৰ : ১৯৯৭

এই সংখ্যাত আছে

স্বাধীনতা-পঞ্চাশৎ ৭	ভক্তবৈশ্য ভগৱন্ত ৩৭
বাৰ-বাদ্য ৯	সোণালী দুৱাৰ ৪১
মানুহৰ মূল বেমাৰ ১০	মহাভাৰত ৪৫
ঘৰ কেনেকৈ পৰ হয় ১৫	সম্বাদ-বি-সম্বাদ ৫২
সম্রাট অশোক ১৭	চান্দমামা কোলাৰ কাকত ...৫৩
বিনাশী-বিদ্যা ২৫	গৰীয়া নামৰ গুৰিত ৫৬
আচল কথা ৩২	ধৰমৰ খুঁটি ৬৩
সাগৰৰ পাৰে পাৰে ৩৩	ফটো-নামকৰণ ৬৬

আৰু

ফটো-নামকৰণ প্ৰতিযোগিতা : ৬৬

চান্দমামা

প্ৰতিভাষা - প্ৰতিখন

৬.০০ টকা

বছৰেকীয়া বৰঙণিৰ ধন

৭২.০০ টকা মাথোন

‘ସଚିତ୍ର ବିଜୟା’ : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ବର୍ଷା ବିଶେଷାଙ୍କ : ସେପ୍ଟେମ୍ବର ସଂଖ୍ୟା

ବିସ୍ମୃତ ବ୍ୟକ୍ତିତ୍ୱ : ‘ଉତ୍କଳର କୁଳପତି’ ପ୍ରହ୍ଲାଦ ପ୍ରଧାନ; କବି ଓ କବିତା : ରଜନୀ କାନ୍ତ ଦାସ; ଭ୍ରମଣ କାହାଣୀ : ରାଜ ପ୍ରାସାଦର ରଂଗ ଓ ମରୁସ୍ରୋବର ମାୟା (ଦ୍ୱିତୀୟ ଭାଗ); ଅନୁଶୀଳନ : ଶଶୀଭୂଷଣ ରାୟଙ୍କ ବିରଳ ଭ୍ରମଣ କାହାଣୀର ଆଲେଖ୍ୟ; ଦୃଷ୍ଟିପାତ : ସେଇ ଅବିସ୍ମରଣୀୟ ମଧ୍ୟରାତ୍ରୀରେ ମହାତ୍ମା ଗାନ୍ଧୀ; ପ୍ରେରଣା : ଗୋକୁଳାନନ୍ଦ ପ୍ରହରାଜ; ଅନ୍ତଃପୁର : ତିନିଜଣ ଓଡିଆ ମହିଳା ସମ୍ପାଦିକଙ୍କ ଆତ୍ମକଥା; ସ୍ୱପ୍ନ ଜଗତର ତୃତୀୟ ଭାଗ ଠାରୁ ତିନୋଟି ଅନନ୍ୟ ଗଳ୍ପ ଓ ରଂଗୀନ ଦ୍ୱିପତ୍ରର ସମାହାର

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ରମୟ ବର୍ଷା ବିଶେଷାଙ୍କର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ ‘ଜହ୍ନମାମୁଁ’ ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

ওলাল **নতুন** দৰব
লওক
বিনামূলীয়াকৈ **৭** দিনৰ দৰব

বগা দাগ

দেহত ওলোৱা বগা দাগ — আমাৰ আৱিষ্কৃত এই নতুন দৰব ব্যৱহাৰেৰে — ৩৬ ঘণ্টাতে ৰঙা বা গুলপীয়া বৰণ ল'ব। তাৰ পাছত সেইবোৰ দাগ হ'ব ক'লা আৰু ক্ৰমে ক্ৰমে গাৰ ছালৰ স্বাভাৱিক বৰণ পাব।

অন্যান্য দৰবে আপোনাক যদি হতাশ কৰি তুলিছে, আমাৰ এই **'বিনামূল্যত দৰৱ-পৰীক্ষা'**ৰ আঁচনি মতে ৭ দিনৰ বাবে এই নতুন দৰব অনুগ্ৰহ কৰি পৰীক্ষা কৰি চাওক।

বেমাৰৰ পূৰ্ণ বিবৰণৰে সৈতে বেমাৰীৰ বয়স, দেহৰ কোন কোন ঠাইত বগা ওলাইছে, পুৰুষ/নাৰী ইত্যাদি লিখি পঠালেই আমি আপোনালৈ দৰব পঠাই দিম।

চুলি সৰা আৰু চুলি পকা

আনকি অতি কম বয়সতো চুলি সৰিব পাৰে, পকিবও পাৰে। কিন্তু তাৰ কাৰণে আৰু চিন্তা নকৰিব।

ভাৰতীয় গছ-বিৰিখৰ শিপা, পাত, বাকলি, আৰু লতা আদিৰে আমি যি বনৌষধি তথা সোণসেৰীয়া ভস্ম প্ৰস্তুত কৰিছোঁ, তাৰে নিশ্চয় চুলি সৰা/ চুলি পকাৰপৰা সম্পূৰ্ণ মুক্ত হ'ব পাৰিব।

যদি আপোনাৰ অন্যান্য বেমাৰো আছে, যেনে — স্মৃতিশক্তিৰ ক্ষীণতা, অত্যধিক শকত তথা মেদযুক্ত হোৱা ইত্যাদিৰ অতি সুফলপ্ৰদ আৰু সফল চিকিৎসাৰ বাবেও আমাৰ সৈতে অৱশ্যেই যোগাযোগ কৰক।

PARAG CLINIC (CN)

P.O. KATRI SARAI (GAYA)

প্ৰেমিয়াৰ কেমেৰা

35 এম্ এম্ কমপ্যাক্ট কেমেৰা

- বগা-ক'লা আৰু ৰঙীন ফটোৰ বাবে আৱশ্যকীয়।
- ফ্লাশ্বৰ সুবন্দৱস্ত আছে।
- উপহাৰৰ বাবে অতুলনীয়।
- এই কেমেৰাৰ জৰিয়তে ফটোগ্ৰাফাৰ হৈ ধন আৰ্জি দহ-টকীয়া হ'ব পাৰি।

বেচ ঃ ৪৫০ টকা মাথোন

বজাৰত এই কেমেৰাৰ দাম : ৭৫০ টকা

সন্তুষ্ট নহ'লে টকা ঘূৰাই দিয়া হয়।

007 টয় ৰিভলভাৰ

সম্পূৰ্ন নতুন টেকনলজিৰে নিৰ্মিত অটোমেটিক টয় ৰিভলভাৰ

৭ ৰাউণ্ডৰ এই অটোমেটিক ৰিভলভাৰেৰে হিংস্ৰ জন্তু-জানোৱাৰ-চোৰ-লুটিয়াৰ আদিক খেদিব পাৰি আৰু নাট-ভাওনাৰ বাবেও এই ৰিভলভাৰ সুন্দৰকৈ ব্যৱহাৰ কৰিব পাৰি।

বেচ ঃ ২০০ টকা মাথোন

লগতে স্পেশ্বল বেল্ট কেছ আৰু

১০০টা গুলী ফ্ৰি !

লাইছেন্সৰ প্ৰয়োজন নাই

[ডাক-মাচুল আৰু পেকিং উপৰুৱা]

আপোনাক কোনটো লাগে আৰু আপোনাৰ ঠিকনা অনুগ্ৰহ কৰি কেৱল ইংৰাজিৰে জনাওক।

একেলগে কেমেৰা আৰু ৰিভলভাৰ দুয়োটা ল'লে ডাক মাচুল আৰ পেকিং ফ্ৰি।

PRAGATI TRADERS (NC)

P.O. MAIRA BARITH (GAYA)

চান্দমামা

সংস্থাপক : চক্ৰপাণি ❋ সঞ্চালক : নাগিৰেড্ডি

স্বাধীনতা-পঞ্চাশৎ

ভাৰতৰ স্বাধীনতাপ্ৰাপ্তিৰ ৫০ বছৰ পূৰ্ণ হ'ল। এই স্বাধীনতাপ্ৰাপ্তিৰ আঁৰত আছে বছৰৰ পাছত বছৰ জোৰা অসংখ্য মানুহৰ অন্তৰত অনিৰ্বাণ দীপশিখাৰ দৰে জ্বলি থকা পৰাধীনতাৰ গ্লানি-মোচনৰ অদম্য স্পৃহা, প্ৰাণান্তকৰ পৰিশ্ৰম আৰু আত্মত্যাগ।

ভাৰতবৰ্ষই বাৰু কাহানিৰপৰা বৈদেশিক যুঁৱলিৰপৰা মুক্ত হ'বলৈ চেষ্টা-প্ৰচেষ্টা চলাইছিল ?

নি:সন্দেহে, এই ক্ষেত্ৰত — ১৮৫৭ চনৰ চিপাহী-বিদ্ৰোহ আছিল এক প্ৰকৃত সুসংগঠিত বিদ্ৰোহৰ প্ৰচেষ্টা।

চিপাহী-বিদ্ৰোহ আছিল এক বিৰাট প্ৰচেষ্টা — এই কথাত দ্বিমত নাই। কিন্তু তাৰো আগৰেপৰাই যে বিচ্ছিন্নভাবে হ'লেও বিদ্ৰোহৰ জুই ঠায়ে-ঠায়ে উমাই উঠিছিল, আনকি তেতিয়াৰ কালৰ ভাৰতৰ ৰজাসকলৰপৰা বেপাৰ কৰিবলৈ অনুমতি লোৱা আৰু পাছত বেপাৰৰ নামত ঔপনিবেশিক শাসনৰ পাতনি তৰা বণিজাৰেই ৰজা হৈ বহা ইস্ট ইণ্ডিয়া কম্প্যানিয়ে যে তেওঁলোকৰ প্ৰথম দিনৰেপৰাই বিদ্ৰোহৰ সন্মুখীন হৈছিল — বিস্মৃতিৰ গৰ্ভত পৰি থকা সেইবোৰ অজান কথা জনাবলৈ আমি চেষ্টা কৰিম। এই বিষয়ে আমি চান্দমামাৰ সম্পাদকীয় পাতত ধাৰাবাহিকভাবে বিবৰণ লিপিৱদ্ধ কৰি থাকিম।

বছৰ : ২২ ছেপটিমবাৰ ১৯৯৭ সংখ্যা : ৬

খনে : ৬.০০ টকা ❋ বছৰি : ৭২.০০ টকা



PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

পৃথিৱীৰ খিৰিকীৰে

ইউৰোপত বাৱ–বাদ্য

যোৱা সংখ্যাত ইংল্যাণ্ডৰ ৰাজনৈতিক পট-পৰিৱৰ্তনৰ বাতৰি দিয়া হৈছিল । এইবাৰ ফ্ৰাছিদেশৰ কথা । তাতো পট-পৰিৱৰ্তন । সমগ্ৰ ইউৰোপতে যেনিবা পট-পৰিৱৰ্তনৰ কোবাল বাৱ বলিছে, বাৱ-বাদ্য বাইবাক লাগিছে। যোৱা ১ জুনত ফ্ৰাছিদেশৰ সাধাৰণ নিৰ্বাচনত ১৩ বছৰৰ পাছত ফ্ৰান্সৰ ৰক্ষণশীল দলক বেয়াকৈ পৰাজিত কৰি বাঁওপন্থী যুক্তফ্ৰন্টৰ অভ্যুদয় হৈছে। এইফ্ৰন্টৰ নেতা হ'ল—ফ্ৰান্সৰ সমাজবাদী দলৰ মচিয়ঁ লিয়নে জছপিন।

ফ্ৰান্সৰ সাধাৰণ নিৰ্বাচনলৈ আৰু এবছৰ দেৰি আছিল । কিন্তু অধিক মাছত বগলী কণা হোৱাদি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মচিয়ঁ জ্যাক শ্বিৰাকেও 'ভোটলৈ যাম দুয়ো হাতে খাম' বুলি ভাবি ততাতৈয়াকৈ পুনৰ পাঁচ বছৰৰ বাবে ক্ষমতা হস্তগত কৰাৰ চেষ্টাত সাধাৰণ নিৰ্বাচন এবছৰৰ আগেতেই ঘোষণা কৰিলে আৰু বোধ কৰোঁ তেতঁৰ এই অহেতুক খৰখেদাত ক্ষুব্ধ ফৰাছি জনগণে তেওঁক একলা দিবলৈ সুবিধা কৰি দিলে। ৰাষ্ট্ৰপতি শ্বিৰাকে ঘোষণা কৰিছিল যে তেওঁৰ ৰক্ষণশীল দলে আগতকৈও অধিক আসন পাব; কিন্তু হিচাপ নিমিলিল।

ফৰাছি লোকসভাৰ ৫৭৭ আসনৰ মাত্ৰ ২৫৩ আসনহে ৰক্ষণশীল দলে পালে। বাঁওপন্থী যুক্তফ্ৰন্টে পালেন ২৭৪। ২৭৪ অ্যাবছল্যুট মেজৰিটি নহয়, আৰু সেইহে, আগৰ বাৰ নিৰ্বাচনত ২৪ আসন পোৱা এইবাৰ ৩৮ আসনৰ অধিকাৰী কমিউনিস্ট-দলৰ সমৰ্থনত মচিয়ঁ জছপিনে যিখন নতুন চৰকাৰ গঢ়িলে, সেইখন ১৪ জনীয়া মন্ত্ৰিমণ্ডলীতে দুগৰাকী কমিউনিস্টেও মন্ত্ৰিত্ব গ্ৰহণ কৰিলে।

ফৰাছিদেশৰ সংবধান মতে — ৰাষ্ট্ৰপ৷৷৩৭ ক্ষমতা অবাধ। এতেকে এতিয়া—ফৰাছিদেশখনত হাঁহে-মাহে সনা অৱস্থা। ৰক্ষণশীল ৰাষ্ট্ৰপতি, আৰু তেওঁৰ দলৰ বিৰোধী প্ৰধানমন্ত্ৰী ! প্ৰধানমন্ত্ৰী জছপিনে অৱশ্যে ইতিমধ্যে কৈয়েই থৈছে : "... আমি উভয়েই পাৰস্পৰিক শ্ৰদ্ধাৰে দেশৰ মংগলৰ হকে কাম কৰি থাকিম..." ইত্যাদি।

৫৯ বছৰীয়া একালৰ ইউনিভাৰ্ছিটি লেকচাৰাৰ, পাছত ফ্ৰান্সৰ শিক্ষামন্ত্ৰী মচিয়ঁ জছপিনে ৰক্ষণশীল দলে প্ৰচাৰ কৰা নিৰ্বাচনী-ঘোষণাপত্ৰৰ বক্তব্যক বাহিৰত ৰংচং ভিতৰত কোৱা-ভাতুৰী—একেবাৰে ফোপোলা-অসাৰ বুলি কৈ মন্তব্য কৰিছে : "ফ্ৰান্সক আৰু বাংফুঁৱা বাংবিং মিছাৰ ভঁৰাল নালাগে, ফ্ৰান্সক লাগে সৰল সত্য।"

এই সৰল সত্য হ'ল তেওঁৰ মতে—ফ্ৰান্সৰ নিবনুৱা সমস্যাৰ বিকট ৰূপ। গতিকে—জছপিনৰ মতে—নিবনুৱা-সমস্যাৰ সমাধানেই হ'ব তেওঁৰ প্ৰথম আৰু প্ৰধান কাৰ্য্য। তেওঁ আৰু অনেক বিষয়ৰ সংস্কাৰ সধাৰো আঁচনি লোৱা বুলি কৈছে। তেওঁ কৈছে: "জনগণে ৰাতিটোতে জাতিটোৰ পৰিৱৰ্তন বিচৰা নাই; কিন্তু অতি ন্যায়সংগতভাৱে প্ৰকৃত সংস্কাৰ তথা উন্নতিলৈ বাট চাই আছে।"





মানুহৰ মূল বেমাৰ

শতব্ৰতী এগৰাকী প্ৰখ্যাত বৈদ্য। বেজালি তেওঁৰ নিচাও নহয়, পেছাও নহয়; ধৰ্ম। আৰু সেইহে শতব্ৰতী বৈদ্যক দহোখন গাঁৱৰ ৰাইজে ধন্বন্তৰী বুলি জানিছিল আৰু মানিছিল।

দশব্ৰতী হ'ল শতব্ৰতীৰ একমাত্ৰ পুত্ৰ। দশব্ৰতী বুদ্ধিমান, কিন্তু গোঁৱাৰ স্বভাৱৰ। যি কৰিব বুলি ভাবিব, কৰিহে এৰিব। মাক-বাপেকে ভাবিছিল যে আৰু কিছু ডাঙৰ হ'লে ইবোৰ দোষ আপোনাআপুনিয়েই গুচিব; কিন্তু নুগুচিল, বাঢ়ি থাকিল।

দশব্ৰতীৰ — বহু — দোষ বোলোঁতে ইমানেই। আন কথাত ভালৰো ভাল। হ'ল কি হ'ল—সেই যে কয়—এমোণ গাখীৰত গৰুৰ এটোপ সৰুপানী — কথা তেনেহেনেই। বাপেকে কয়: বৈদ্যশাস্ত্ৰ শিকা; কিন্তু পুতেকে পদ্যহে আওৰায়, লিখেও দুই-চাৰি। বাপেকে কয়: শুনা, যাৰ মতি-বুধি ভাল, তাৰ শৰীল-স্বাস্থ্যও ভাল থাকে। তুমি যদি গোঁৱাৰামি নেৰিছা, অস্বাস্থ্যতায়ো তোমাক নেৰিছে।

কিন্তু ইবোৰ সুকথা-সুবতৰা দশব্ৰতীৰ ইকাণেদি সোমাই সিকাণেদি ওলাই যায়, এইবোৰ-এনেবোৰ ধৰ্মকথাৰ পৰোৱা সি নকৰে। সি মনতে ভাবে: দেউতাৰ কথা দেউতাই কৈ থাকক, আৰু—মোৰ কাম মই কৰি থাকিম।

কিছুদিনৰ অন্তত দশব্ৰতীৰ গাত বগা আৰু ৰঙচুৱা দাগ কিছুমান ওলাল। পুতেকৰ এনেহেন বেমাৰে পিতাকক দুঃচিন্তিত কৰি তুলিলে। তেওঁ ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰি ভাবি-গুণি দৰব দিলে; কিন্তু সেই বৰ বেছি গুণ নিদিলে। দশব্ৰতীৰ হাত আৰু ভৰিৰ বগা দাগবোৰ মোটামুটিকৈ নোহোৱা হ'ল, কিন্তু পেট-পিঠিৰ দাগবোৰ আৰু বাঢ়িহে গ'ল। এই দাগবোৰ লুকুৱাবৰ বাবে দশব্ৰতীয়ে আনকি

অৰুণ শৰ্মা

গেলা গৰমতো সদা-সৰ্বক্ষণেই চোলা-তোলা পিন্ধি থাকিবলগীয়া হ'ল।

পিতাকে পুতেকক বুজনি দিয়াৰ সুৰতে ক'লে, "আন মানুহৰ শলাগ লোৱাঁ, তিহতিহনি এৰা, ডাঙৰসকললৈ সন্মান জনোৱা, নিজৰ অন্তৰ-মন পৰিষ্কৃত কৰাঁ, আৰু জিভাখনক শাসন কৰাঁ—তোমাৰ সকলো ৰোগ-বিয়াধি দূৰতে বিদূৰ হ'ব।"

কিন্তু পিতাকৰ এইবোৰ কথা—বাংবিং যেনহে লাগিল তাৰ। অন্তৰ পৰিষ্কাৰ কৰিলেই শৰীল-স্বাস্থ্যৰ অথন্তৰ নহ'ব — এইবোৰ বাংবিং নহৈনো কি ?

লাহে লাহে দশব্ৰতীৰ মনত এই সন্দেহে শিপালে যে—তাক দাঁত-ভঙা শিকনি দিবলৈ দেউতাকেই ভাতৰ লগত কিবাকিবি মিহলাই তাক খুৱাইহে তাৰ এই বেমাৰ ওপোজালে। আৰু — তাৰ এই সন্দেহৰ কথা সি তাৰ মাককো ক'লে, আৰু মাকে কওঁ-নকওঁকৈয়ো ক'লে তেওঁৰ গিৰিয়েকক।

"কি কোৱাঁ ! — " গিৰিয়েক শতব্ৰতীবৈদ্যই তৰধেই মানিলে আৰু ক'লে, "মই মোৰ মহাশতুৰুৰো এনেহেন অনিষ্ট নকৰিম। সি এনেকৈ ক'ব পাৰিলেনে ?"

কিন্তু মাকৰপৰা পিতাকৰ বক্তব্য শুনিও পুতেকৰ মনৰপৰা সন্দেহ নাতঁৰিল।

কিছুদিনৰ পাছত শতব্ৰতীবৈদ্যৰ কাষ চাপিল এজন বেমাৰী মানুহ, যিজনৰ এই একেই বেমাৰ, একেই লা-লক্ষণ।

বৈদ্য শতব্ৰতীয়ে এই বেমাৰীজনকো দশব্ৰতীক কোৱাৰ দৰে ক'লে, " ডাঙৰসৱলৈ

মান-সন্মান জনাবা, সৰুসকললৈ আদৰ-সাদৰ কৰিবা, অন্তৰ-মন সদায় পৰিষ্কৃত ৰাখিবা, খং-তিহতিহনি কমাবা, আৰু এই দৰবখিনি মই কৈ দিয়া মতে খাই থাকিবা — বেমাৰ ভাল হৈ যাব।"

আৰু—এপষতে বেমাৰীজন সুস্থ হৈ উঠিল, এমাহতে সম্পূৰ্ণ ভাল হ'ল।

এই বেমাৰীজনৰ কথা জানি দশব্ৰতীয়ে তাৰ পিতাকক ক'লে, "এইজন যদি এমাহতে ভাল হৈ গ'ল—মই কিয় ভাল নহ'লোঁ ? তাৰ মানে—এওঁক দিয়া দৰব মোক দিয়া নাই।"

পিতাক শতব্ৰতীয়ে মৃদুকৈ হাঁহিৰে ক'লে, "তোমালোকৰ বেমাৰো এক, আৰু মৱো একেই দৰব দিছোঁ, কিন্তু এইজন বেমাৰীয়ে মোৰ কথা আখৰে আখৰে পালন কৰিছিল,

আৰু তুমি মোৰ কথাক বেঙৰ মাথা বুলিহে ভাবিলা। বৈদ্যশাস্ত্ৰ অধ্যয়ন কৰিলেহে তুমি মোৰ কথাখিনিৰ সাৰমৰ্ম বুজি পাবা।"

"বৈদ্যশাস্ত্ৰ অধ্যয়ন কৰাৰ মোৰ কোনো গৰজ নাই—।" প্ৰায় গৰ্জি উঠি দশব্ৰতীয়ে ক'লে, "তথাপি কওক, কোনখন পুস্তকত মোৰ এই বেমাৰৰ দৰবৰ বা-বিৱৰণ জানিব পৰা যাব। মই পঢ়িম; আৰু জানি ল'ম।"

"বৈদ্যশাস্ত্ৰত মানৱৰ দেহ বিষয়ক বিবৰণ আছে, দেহগত বেমাৰৰ উৎপত্তিৰ বিবৰণো পোৱা যায়, আৰু আমাৰ আহাৰ-বিহাৰজনিত দোষ-ত্ৰুটিৰ কথাও পৰিজ্ঞাত হ'ব পাৰি। কিন্তু বেমাৰৰপৰা সুস্থ-স্বাস্থ্যৰ অধিকাৰী হ'বলৈ কি দৰব কি পথ্যৰ আৱশ্যক হ'ব—সেই কথা গভীৰ অনুশীলনেৰেহে জ্ঞাত হ'ব পাৰি। অমুক বেমাৰৰ তহুক দৰব—এনে কথা বৈদ্যশাস্ত্ৰত নাই। এই নিৰ্ণয়—অনুশীলনৰ অভিজ্ঞতাৰে বৈদ্যই নিজেই কৰিব লাগিব, আৰু তেতিয়াহে চিকিৎসাত অধিকাৰ পোৱা যাব।" শতব্ৰতীয়ে পুত্ৰ দশব্ৰতীক ক'লে।

পিতাকৰ কথাখিনি শুনি পুতেক দশব্ৰতীয়ে বৈদ্যশাস্ত্ৰ অধ্যয়ন কৰিবলৈ সংকল্প কৰিলে। পিতাকে জানি-বুজি সঠিক দৰব নিদিয়াৰ অভিযোগ প্ৰমাণ কৰিব—আৰু লগতে নিজৰ বেমাৰৰ সঠিক দৰব নিজেই বৈদ্যশাস্ত্ৰ মন্থন কৰি উলিয়াই ল'ব বুলি এই সংকল্প ল'লে।

পিতাকে ক'লে, "যদি নিজে-নিজে অধ্যয়ন কৰাঁ, তেনেহ'লে চিকিৎসা-বিধি জ্ঞাত হোৱাত বিলম্ব হ'ব। এতেকে — গুৰুৰ অধীনত অধ্যয়ন কৰাটোহে উত্তম। আৰু—পিতৃতকৈ ডাঙৰ গুৰু যে নাই—সেই সত্য জকতত সৰ্বোত্তম।"

এইবাৰ দশব্ৰতীয়ে তাৰ দেউতাকৰ লগত দুৰ্বাদল দন্দ এৰি তেওঁৰ উপদেশ মনে-চিতে মানি ল'লে। দশব্ৰতী বুদ্ধিমন্ত হয়েই, তদুপৰি পিতাকৰ সহযোগ পাই এবছৰতে বৈদ্যশাস্ত্ৰৰ বহুতো ৰহস্য জানি ল'লে।

আৰু তেতিয়াহে ইমান দিন ধৰি পিতৃয়ে কোৱা কথাৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰিলে। অন্তৰৰ শান্তি-সন্তোষ, ক্ৰোধহীনতা যে শাৰীৰিক সুস্থতাৰ ভেটি—হিংসা-দ্বেষ, দন্দ-বান্দ, গোঁৱাৰামী যে সুস্থতাৰ কাৰণে পৰিহাৰ কৰা আৱশ্যক—সেই কথা এতিয়াহে দশব্ৰতীয়ে উপলব্ধি কৰিব পাৰিলে। কিন্তু

তথাপি যি ভাবি থাকিল যে তাৰ দেউতাকে তাক সঠিক দৰব দিয়া নাছিল।

বৈদ্যশাস্ত্ৰ অধ্যয়ন কৰি দশব্ৰতীয়ে তাৰ বেমাৰৰ দৰব জানিলে, আৰু সেই দৰব নিজেই প্ৰস্তুত কৰি ল'ব বুলি স্থিৰ কৰি বিশেষ বিশেষ ঔষধি-বিৰিখৰ ছাল-পাত-শিপা আদি গোটাই আনিবলৈ হাবিলৈ বুলি খোজ ল'লে।

দশব্ৰতীয়ে হাবিত ঔষধি-গছ বিচাৰি থাকোঁতে হঠাৎ এডাল কাঁড় তীব্ৰ গতিৰে ক'ৰবাৰপৰা উৰি আহিল আৰু তাৰ সোঁহাতৰ তলুৱাত সামান্যমান লাগি গছ এজোপাৰ গাত বিন্ধিলহি। দশব্ৰতীয়ে খঙতে কৈ উঠিল, "কোন বদমাছেনো এই কাম কৰিলে—?" এই বুলি কৈ দশব্ৰতীয়ে পিছলৈ ঘূৰি চালে আৰু তাত অতি ভাল সাজ-পাৰ পিন্ধা সুপুৰুষ এগৰাকীক থিয় হৈ থকা দেখা পালে।

এই মানুহগৰাকী চিকাৰলৈ ইয়ালৈ আহিছিল। এটা জন্তুলৈ টোঁৱাই কাঁড় এৰিছিল, কিন্তু কাঁড়ডাল জন্তুত নালাগি গছত লাগিছিলগৈ। মানুহগৰাকীয়ে দশব্ৰতীক ক'লে, "মই জানি-বুজি তোমালৈ কঁড়িউৱা নাছিলোঁ, আৰু তুমিও জানি-বুজি মোক বদমাছ বুলি কোৱা নাছিলা। এইদৰে কঁড়িউৱাটো—মোৰ ভুলেই হৈছিল।"

দশব্ৰতীয়ে ক'লে, "গতিকে — বদমাছ বুলি কোৱাত মোৰো কোনো অন্যায় হোৱা নাছিল।"

"মই এই দেশৰ ৰজা। নিজৰ দেশৰ ৰজাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো তোমাৰ কৰ্তব্য।" মানুহগৰাকীয়ে ক'লে।

দশব্ৰতীয়ে কিঞ্চিত গৰম হৈ ক'লে, "সাধাৰণ মানুহে যেতিয়া ভুল কৰে, কেৱল তাৰ নিজৰহে অনিষ্ট হয়; কিন্তু ৰজাই ভুল কৰিলে সমগ্ৰ দেশৰ অনিষ্ট হয়।"

দশব্ৰতীৰ ডাম্ফিমৰা কথা শুনি ৰজাও ৰাউতমুৰা হৈ উঠিল। তেওঁ হাত চাপৰি দিলে, আৰু লগে লগে দহজনমান প্ৰহৰী দৌৰি আহিল। ৰজাই দশব্ৰতীক সৌকাৰে দহ কোব মাৰিবলৈ প্ৰহৰীহঁতক আদেশ কৰিলে।

লগে লগে দুজন প্ৰহৰীয়ে দশব্ৰতীক কটকটীয়াকৈ ধৰি থাকিল আৰু এজন প্ৰহৰীয়ে তাক সৌকাৰে কোবাবলৈ সৌকাডাল শূন্যলৈ দাঙি ধৰিল।

দশব্ৰতীয়ে কৈ উঠিল, "মহাৰাজ, মই বিখ্যাত বৈদ্য শতব্ৰতী-পুত্ৰ। মই অনাৰোগ্য ব্যাধিৰে আক্ৰান্ত আৰু পীড়িত হৈ ঔষধি-গছ বিচাৰি এই হাবিলৈ আহিছিলোঁ। দুৰাৰোগ্য ব্যাধিৰ কবলত পৰি মোৰ কিছু বুদ্ধিভ্ৰংশ হোৱাত মই আপোনাক তেনেকৈ কৈছিলোঁ। মোক দয়া কৰি ক্ষমা কৰক, মহাৰাজ।"

মহাৰাজে ক'লে, "সৌকাইহে তোমাক এইকণ জ্ঞান দিলে। কিন্তু এতিয়া এই জ্ঞানে গুণ নিদিব। সৌকাৰ কোব খাবই লাগিব।"

প্ৰহৰীয়ে পুনৰ শূন্যলৈ সৌকা দাঙি ধৰাৰ লগে লগেই দশব্ৰতীয়ে তাৰ গাৰ চোলা খুলি পেলালে আৰু তেতিয়া তাৰ গাত বগা ৰঙচুৰা দাগবোৰ দেখ পাই ৰজাই উচপ খাই উঠি প্ৰহৰীহঁতক ক'লে, "ইয়াক সৌকাৰে কোবাবৰ আৱশ্যকতা নাই। কিয়নো ভয়ংকৰ বেমাৰেই ইয়াক কোবাইছে। ইয়াক এৰি দিয়া।"

তাৰ পাছত গছৰ পাত-ছাল-শিপাৰে সৈতে দশব্ৰতী ঘৰলৈ উভতি আহিল। এই ঘটনাৰ কথা বিবৰি কোৱাৰ অন্তত দশব্ৰতীয়ে তাৰ দেউতাকক ক'লে, "আপুনি মোক বহুদিন বহু ধৰণে বুজাবলৈ চেষ্টা কৰা সত্বেও মই অবুজনে বুজা নাছিলোঁ। ক্ৰোধ-লোভ-হিংসা-ঈৰ্ষা আদি অন্তৰৰপৰা গুচাবলৈ কোৱাত মই সেইবোৰ কথাৰ কোনো অৰ্থ অথনি বিচাৰি পোৱা নাছিলোঁ। আপুনি মোক কৈছিল যে—সেইবোৰো এবিধ বেমাৰ। এতিয়া মই আপোনাৰ কথাৰ অৰ্থ বুজি পোৱা হৈছোঁ। এতিয়াৰপৰা মই মোৰ দেহৰ সেইবোৰ মূল ব্যাধি গুচাবলৈ যত্নপৰ হ'ম।"

এই বুলি কৈ, দশব্ৰতীয়ে তাৰ মহৎহৃদয় পিতৃক সাষ্টাংগে প্ৰণাম কৰিলে।

পাছত দশব্ৰতীও দক্ষ বৈদ্য হৈছিল, আৰু সকলো বেমাৰীক দেহৰ মূল বেমাৰৰপৰা হৈ মুক্তথাকিবলৈ উপদেশ দিছিল।



ঘৰ কেনেকৈ পৰ হয়

প্ৰমীলা আছিল সুশীলা আৰু শ্যামৰ একমাত্ৰ ছোৱালী। তাইক মাতৃ-পিতৃয়ে বৰ আদৰ-সাদৰেৰে ডাঙৰ-দীঘল কৰিছিল। প্ৰমীলায়ো তাইৰ মাক-দেউতাকক এৰি কেনেকৈ থাকে—নাজানিছিল, কিন্তু এদিন-নহয়-এদিন—এৰি থাকিব যে লাগিবই—তাকো জানিছিল। সুশীলা-শ্যামে ভাবি-চিন্তি ইয়াকে স্থিৰ কৰিলে যে—সিহঁতে পানীত নামিব, কিন্তু গা নিতিয়াব—প্ৰমীলাক বিয়া দিব, কিন্তু শহুৰি খাটিবলৈ নপঠাব, আৰু জোঁৱাইক ঘৰতে গলে-খুটাই বান্ধি থ'ব।

কিন্তু সিহঁতহালৰ এই ইচ্ছা পূৰ নহ'ল। ঘৰ-জীয়া ঘৰ-জোঁৱাই এটি একোপধ্যেই বিচাৰি উলিয়াব পৰা নহ'ল।

আৰু শেহান্তৰত, চুবুৰীয়া গাঁৱৰ ভজগোবিন্দৰ ল'ৰা জয়গোবিন্দৰ সৈতে প্ৰমীলাৰ যোৰা পাতি শহুৰি খাটিবলৈ বাধ্যত পৰি শহুৰ-ঘৰলৈ পঠাই দিয়া হ'ল।

কিন্তু প্ৰমীলাই শহুৰ-ঘৰত মন-খোলোচাকৈ থাকিব পৰা নাছিল, আৰু সেইহে—এপষ নৌ পাৰ হওঁতেই তাই এদিন মাকৰ ঘৰলৈ গুচি যাবলৈ সাজু হ'ল; কিন্তু গিৰিয়েক জয়গোবিন্দ নগ'ল। কিয়নো—প্ৰমীলাই কৈছিল যে তাই আৰু ইয়ালৈ ঘূৰি নাহিব, তাতেই থাকিব; গতিকে —জয়গোবিন্দও ঘৰ-জোঁৱাই হৈ জীৱন কটাবলৈ তালৈ নাযাব।

প্ৰমীলা কিন্তু নিজৰ মতত অটল হৈ থাকিল। তাই অকলেই তাইৰ টালি-টোপোলাৰে মাকৰ ঘৰলৈ গুচি গ'ল।

পোনতে—ছোৱালীক দেখা পাই শ্যাম-সুশীলা আনন্দিতয়েই হৈছিল—কিন্তু পাছত প্ৰমীলাৰ মনৰ ইচ্ছাৰ কথা জানি মন-মৰা যেন হৈ পৰিল। প্ৰমীলাৰ কথা হ'ল যে—তাই

পৰমা পাঠক

তাইৰ মাক-দেউতাকক এৰি তাত থাকিব নোৱাৰিব। গিৰিয়েক যদি নাহে নাহক— তথাপি তাই ইয়াতেই থাকিব।

জীয়েকৰ কথা শুনি মাকে মকমকালে, দেউতাকেও মনত ডেডাউৰি পাৰিলে ; কিন্তু তাইক উভতি যাবলৈ ক'ব নোৱাৰিলে।

কিন্তু কথা আচৰিতেই—কেইৰাতিমান পুউৱাৰ পাছতেই এৰাতি প্ৰমীলাই ক'লে যে তাই শহুৰ-ঘৰলৈ ঘূৰিব। আৰু ৰাতি পুউৱাৰ লগে লগেই তাই তালৈ যাবলৈ খোজ ল'লে।

ইপিনে — জয়গোবিন্দৰো একেই অৱস্থা। পুৰুষালি দেখুৱাই প্ৰমীলাজনীৰ সৈতে নগ'ল সঁচা, কিন্তু দুটা দিন নৌপাৰ হওঁতেই মনটো উকা উকা লাগি থাকিল, আৰু কেইদিনমানৰ অন্তত এদিন পুৰুষালি এৰি কেকুৱালিত ধৰি প্ৰমীলাক যেনেতেনে লৈ আহিবলৈ কেপেয়া-লাখুটিৰে খোজ দিয়াদি খোজ ল'লে।

মাজ বাটত দুয়োৰো দেখাদেখি, ই বোলে ক'লৈ যোৱা, সি বোলে ক'লৈ — দুয়োৰো হাতত দেখি দেখোন একেটাই খালৈ!

"আপোনালোকৰ ঘৰত থাকিবলৈ মোৰ মন নোযোৱা হৈছে, আৰু—আমাৰ ঘৰত ঘৰ-জোঁৱাই হৈ থাকিবলৈ আপোনাৰো একেই কথা। অথচ — আমি দুয়ো পৰস্পৰক এৰি এৰাল-খোৱাহেন হৈও থাকিব নোৱাৰিছোঁ। — কওকচোন উপায় কি ? এই বেমাৰৰ দৰব কি ?" প্ৰমীলাই সুধিলে।

জয়গোবিন্দই জয় জয়তে ক'লে, "এই বেমাৰৰ দৰব — অতি সাধাৰণেই। আমাক লাগিব—চতুৰ্সীমা ভূমি। মানে—আমি আমাৰ ঘৰতে থাকিম, আৰু ইকূল-সিকূল দুকূলৰ সৈতে সংযোগ ৰক্ষা কৰিম—নিজৰ নিজৰ মাক-দেউতাক চাই আহিম লৈ আহিম সোধন-পোছন কৰিম ৰঙে-ৰসে থাকিম।"

এই কথা জানি প্ৰমীলাৰ মাকে ক'লে, "আমাৰ ছোৱালীৰ কিমান যে বুদ্ধি ! গিৰিয়েকক কিমতে যে পোনালে !"

জয়গোবিন্দৰ দেউতাকে পৰিবাৰক ক'লে, "দেখিলানে—আমাৰ ল'ৰাৰ বুদ্ধি ! সি ঘৰ-জোঁৱাই নহৈ কেনেকৈ তাইক ঘৰতে গলে-খুটাই বান্ধিলে !"

"ঘৰ কেনেকৈ পৰ হয়—আজিহে জানিলোঁ।" জয়গোবিন্দৰ মাকে ক'লে।



সম্ৰাট অশোক

আগৰ কথা : তক্ষশীলাৰ দোহ দমনৰ অন্তত অশোক সগৰ্বে উভতি আহিব ধৰিছিল, আৰু ঠিক তেতিয়াই সুশেমে অশোকক হত্যা কৰিবলৈ ‘ধৰোঁ মাছ নোছোওঁ পানী’ৰ কৌশলেৰে ষড়যন্ত্ৰ ৰচিছিল। এই ষড়যন্ত্ৰ প্ৰকাশ হৈ পৰাত মহাৰাজ বিন্দুসাৰে বিচলিত হৈ উঠিল আৰু সুশেম আৰু অশোকক বিচ্ছিন্ন কৰিবলৈ আঁচনি ল’লে, যাৰ ফলত অৱন্তীৰ উজ্জয়িনীলৈ ৰাজ-প্ৰতিনিধিৰূপে যাবলৈ অস্বীকৃত সুশেমৰ সলনি অশোকক উজ্জয়িনীলৈ ৰাজ-প্ৰতিনিধিৰূপে পঠোৱাৰ দিহা ল’লে। আৰু তাৰ পাছত....

৭

অশোকে মহাৰাজ বিন্দুসাৰক প্ৰণাম কৰিলে আৰু মহাৰাজৰ ইংগিতত এখন আসনত উপবেশন কৰিলে। মহাৰাজ বিন্দুসাৰ শয্যাত উঠি বহিল আৰু অশোকক কৈ থাকিল, “পুত্ৰ অশোক, তক্ষশীলাৰ দ্ৰোহ দমন কৰি তুমি মোৰ অধিক প্ৰিয়পাত্ৰ হৈছা আৰু তক্ষশীলাৰপৰা উভতি আহোঁতে তোমাৰ বিৰুদ্ধে যি ষড়যন্ত্ৰ কৰা হৈছিল তাৰপৰা ৰক্ষা পোৱাত মোৰ অন্তৰৰ অন্তৰতম আশীৰ্বাদ আৰু ঈশ্বৰৰ অনুগ্ৰহ প্ৰাপ্ত হৈছা। তক্ষশীলাৰ ৰাজদ্ৰোহ কঠোৰ হস্তেৰে সুচাৰুৰূপে দমন কৰি যি অভিজ্ঞতা আৰ্জিলা, সেই অভিজ্ঞতাৰ আলোকক অধিক আলোকিত কৰিবলৈ তুমি—আমাৰ অৱন্তী-অঞ্চলৰ উজ্জয়িনলৈ যাবলৈ ইচ্ছা কৰিবানে? তাত তুমি তোমাৰ শাসন-দক্ষতাৰ পৰীক্ষা প্ৰদান কৰিব পাৰা যদি— তুমিও ভাল পাবা, আৰু ময়ো তোমাৰ কাৰণে গৰ্বিত বোধ কৰিম।”

অশোকে স্থিৰ-শান্ত কণ্ঠেৰে ক’লে,

‘অশোকৰ পৰীক্ষা’

"আপুনি মোক মাত্র আদেশ কৰক — মই কি কৰিব লাগে।"

"সুসমৃদ্ধ অৱন্তীৰ ৰাজধানী উজ্জয়িন— আমাৰ কাৰণে—তক্ষশীলাতকৈয়ো অধিক গুৰুত্বপূৰ্ণ। তাত থকা আমাৰ প্ৰতিনিধিগৰাকীৰ মৃত্যু হ'ল। তুমি উজ্জয়িনৰ শাসনৰ দায়িত্ব কঢ়িয়াবলৈ ইচ্ছা কৰানে?"

"পিতাশ্ৰীৰ আজ্ঞা পালনেই মোৰ জীৱনৰ শ্ৰেষ্ঠ কৰ্ম আৰু ধৰ্ম বুলি মই জানিছোঁ।" অশোকে অসংকোচে ক'লে।

"মই প্ৰসন্নতা লভিলোঁ, পুত্ৰ। কৃষ্ণানদীতটস্থিত এই সুন্দৰী-নগৰীত আমাৰ অনেক প্ৰতিনিধি আছে। তথাপি, তুমি তোমাৰ বিশ্বস্ত-বিশ্বাসপাত্ৰ কিছুমানকো লগত লৈ যাব পাৰিবা। তোমালৈ মোৰ শুভাশীৰ্বাদ থাকিল। যথাশীঘ্ৰ উজ্জয়িনলৈ যাত্ৰাৰ প্ৰস্তুতি লোৱাঁ।" মহাৰাজ বিন্দুসাৰে অশোকক ক'লে।

"যথা আজ্ঞা—পিতাশ্ৰী।"

এই বুলি কৈ, পিতাশ্ৰীক প্ৰণাম কৰি, অশোক তাৰপৰা ওলাই পোনে পোনেই তাৰ মাতৃৰ কাষ চাপিল আৰু সকলোখিনি কথা বিত বিত কৰি মাতৃক ক'লে।

শুনি মাতৃ সুভদ্ৰা চিন্তিতা হৈ উঠিল আৰু পুত্ৰ অশোকক ক'লে, "—তোমাৰ জন্মমুহূৰ্তৰেপৰাই মই সৰ্ব দুখ-শোক পাহৰি থকাহেতুকে তোমাৰ নাম হ'ল অ-শোক। এতিয়া—যদি তুমি মোৰপৰা বিচ্ছিন্ন হৈ বৈদেশ-পৰবাসলৈ যোৱা — মই পুনৰ শোকগ্ৰস্তা হৈ থাকিম। যদিও — তুমি বৈদেশবাসী হোৱাটো একপ্ৰকাৰে ভাল। কিয়নো—ইয়াত প্ৰকৃতপক্ষে তুমি শত্ৰু-পৰিবৃত হৈ সদা-সৰ্বক্ষণেই ভীতিৰ মুঠিত সোমাই আছা যে—তুমি নক'লেও মই সিবোৰ সম্বাদ পাওঁ। তোমাক নানানপ্ৰকাৰে উতওাই কিছুমানে যে শতুৰু পাৰিছে — সেই-সম্বাদ মই নোপোৱা নহয়। গতিকে — তোমাৰ পক্ষে বৈদেশলৈ যোৱাটো — প্ৰকৃতপক্ষে হয়তো ভালেই হ'ব।"

মাতৃয়ে পুত্ৰৰ মস্তকোপৰি হস্ত স্থাপি আশীৰ্বাদ কৰিলে আৰু ধীৰ কণ্ঠেৰে ক'লে, "উজ্জয়িনীৰপৰা সকুশল উভতি আহাঁ, মই তোমাৰ বাট চাই থাকিম।"

কেইদিনমানৰ পাছত এদিন উষাকালত এক শুভক্ষণত কিছুসংখ্যক দেহৰক্ষীক লগত লৈ অশোক উজ্জয়িনীলৈ ৰাওণা হ'ল।

ৰাওণা কৰাৰ দিনাই মধ্যাহ্নৰ পৰতে অশোক সদলবলে সুন্দৰ শোভাময় বিদিশা অঞ্চলৰ এখন মনোহৰ গাঁও পালেগৈ। এইখন গাঁৱত আছিল ভালেমান মন্দিৰ আৰু এখন অতি মনোহৰ সৌন্দৰ্য্যমণ্ডিত বৌদ্ধবিহাৰ। এইখন গাঁৱত শাক্যবংশজ গৌতম বুদ্ধ-বংশীয় কিছুমান সমৃদ্ধ পৰিয়াল বাস কৰিছিল।

বিদিশাৰ শাক্য-নায়কে যুৱৰাজ অশোককৈ সাদৰ সম্বৰ্ধনা জ্ঞাপন কৰিলে, অতিথি-সৎকাৰৰ বাবে যাৱতীয় বন্দৱস্ত কৰিলে ; কিন্তু অশোকে গাঁৱৰ এমূৰত ৰাতিছোৱা কটাব বুলি তম্বু তৰিবলৈ আদেশ দিলে আৰু সৰু টিলা এটাৰ নামনিত তম্বু তৰাৰ পাছত, ৰাতিৰ আহাৰৰ অন্তত প্ৰহৰীবেষ্টিত হৈ যুৱৰাজ অশোকে শুই নিহপালী দিলে।

বেলিয়ে ভুমুকিউৱাৰ লগে লগেই অশোকে সাৰ পাই তম্বুৰ বহিৰলৈ আহিল। তেতিয়া চাৰিওফালে কুঁৱলী মাৰিছিল। চাৰিওফালৰ দৃশ্য হৈ উঠিছিল স্বপ্নৱৎ মনোহৰ। সেই দৃশ্যপটৰ মাজত বিচৰণ কৰাৰ মন গ'ল অশোকৰ। কিন্তু যুৱৰাজ অশোকে অকলেই বিচৰণ কৰিবলৈ ওলাব বুলি স্থিৰ কৰিলে। লগত কোনো দেহৰক্ষীক নোলোৱাকৈয়েই অশোক ওলাল আৰু সেই নয়নমনোহৰ দৃশ্যপটৰ মাজেদি চৰাইৰ কুজন ভোমোৰাৰ গুঞ্জন শুনি শুনি অতি ধীৰ-শান্ত পদ-বিক্ষেপৰে গৈ থাকিল।

আৰু এইদৰে তন্ময় হৈ গৈ থকা আপোনপাহৰা অশোকক অকস্মাৎ ক'ৰবাৰপৰা কোনোবাজনীয়ে কৈ উঠিল,

"ৰ'ব, আৰু এখোজো নিদিব, সমুখতে বিপদ!"

ঠাইতে স্থিৰ হৈ অশোকে ঘূৰি চালে, আৰু পাতল কুঁৱলীৰ চাদৰৰ আঁৰত এগৰাকী অতি ৰূপৱতী সুন্দৰী যুৱতীক মূৰ্তিৱৎ থিয় হৈ থকা দেখা পালে।

"আপোনাক ৰখালোঁ, ক্ষমা কৰিব। ভালকৈ দৃষ্টি মেলি চাওক—আপোনাৰ সমুখত কিমান দ' গাঁত।" যুৱতীয়ে ক'লে।

তিমানতে কুঁৱলীৰ দিগন্তবিয়পা চাদৰখন নোহোৱা হৈছিল, আৰু অশোকে তেওঁৰ বিস্ফাৰিত দৃষ্টিৰ আগত এক বিৰাট-বিশাল গভীৰ খোৰ দেখা পাই চমকি উঠিল। এই খোৰটোত—গভীৰৰো গভীৰ গাঁতটো আছিল অতি ভয়ংকৰ গাঁত—আৰু এখোজ দিলেই যে

অশোকৰ মৃত্যু সুনিশ্চিত আছিল, সেই কথা ভাবি যুৱৰাজ অশোকৰ গাৰ নোম ডাল ডাল হৈ উঠিল।

যুৱৰাজ অশোক যুৱতীৰ ওচৰ চাপিল। যুৱতীয়ে তলমূৰ হৈ ক'লে, "আপোনাৰ গমনপথত বাধাসৃষ্টিৰ বাবে ক্ষমা কৰিব।"

"ক্ষমা ? তোমাক ? তুমি বাধা নিদিয়াহেঁতেন আজি এইক্ষণতে মোৰ মৃত্যু আছিল সুনিশ্চিত।" অশোকে যুৱতীক ক'লে, "প্ৰকৃতপক্ষে—তুমি মোক ৰক্ষাহে কৰিলা।"

"আপোনাক ৰক্ষা কৰাৰ শক্তি মোত নাই। শাক্যমুনি বুদ্ধৰ করুণাতহে আপুনি আজি নিশ্চিত মৃত্যুৰ গৰাহৰপৰা ৰক্ষা পৰিল।" যুৱতীয়ে অশোকক ক'লে।

"তুমিনো কোন ? এই সময়ত ইয়ালৈ কিয় আহিছিলা ?" অশোকে সুধিলে।

"এই প্ৰদেশৰ যি নাম—মোৰো সেই নাম —মই বিদিশা। এই স্থানৰ শাক্যনায়ক হ'ল মোৰ পিতা। এই স্থানৰ এক পাৰ্বত্যগুহাত বসবাসকাৰী অতিবৃদ্ধ বৌদ্ধভিক্ষু এগৰাকীৰ আলপৈচান ধৰাৰ অন্তত মই ঘৰলৈ গৈ আছিলোঁ। আৰু ঠিক তেতিয়াই আপোনাক দেখা পাই—"

বিদিশাৰ কথা নৌশেষ হওঁতেই ভাব-বিভোল অশোকে কৈ উঠিল, "যুৱৰাণী বিদিশা, মই যে কেনেকৈ আপোনাৰ প্ৰতি মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিম—"

যুৱৰাজ অশোকক হাত দাঙি ৰখাই সেই যুৱতীয়ে কৈ উঠিল, "যুৱৰাজ! মই কিন্তু কোনো ৰাজ্যৰ কোনো দেশৰ যুৱৰাণী নহওঁ।"



"তুমি—দেৱী, মোৰ পুনৰ্জন্মদাত্ৰী।" অশোকে সেই যুৱতীক ক'লে।

"যুৱৰাজ, এটি বিষয়ৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰাটো মোৰ কৰ্তব্য। মই আপোনাৰ ৰক্ষাকাৰিণীও নহওঁ, পুনৰ্জন্মদাত্ৰীও নহওঁ। আপুনি আপোনাৰ সুকাৰ্য্যজনিত সুভাগ্যবশতঃ বুদ্ধৰ করুণা পাই ৰক্ষা পৰিল।" এই বুলি কৈয়েই যুৱতীগৰাকী তাৰপৰা তৎমুহূৰ্ততে গুচি গ'ল।

পুনৰ অশোকৰ দৃষ্টি অপৰূপা প্ৰকৃতিৰ শোভালৈ নিবদ্ধ হ'ল। এই বিৰাট বিশ্বৰ কিমান যে মধুৰিমা! অথচ—মধুৰ বিশ্বৰ অন্যতম শ্ৰেষ্ঠ প্ৰাণী মানৱৰ কিছুমানৰ মাজত কিমান যে হিংসা-ঈৰ্ষাৰ দামামা! ৰাজপ্ৰাসাদৰ ৰন্ধ্ৰে ৰন্ধ্ৰে ঈৰ্ষা হিংসা দ্বেষ, প্ৰতিশোধ, অসৎ আকাংক্ষা,



কোলাত শিশুৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে।

অনুচৰ তথা দেহৰক্ষীসকল সমগ্ৰ দিনটোৱেই যুৱৰাজ অশোকৰপৰা আঁতৰি থাকিল আৰু নৃত্যগীতত মগ্ন হৈ থাকিল। সিহঁতে তম্বুৰপৰা কিছুদূৰলৈ গৈ এঠাইত তিনিজনী নৰ্তকীক দেখা পাই তাতেই খলি লৈছিল আৰু নাচৰ নিচাত বিভোল হৈ সেই তিনিজনীৰ লগতে খোৱা-বোৱাও কৰিছিল।

গধূলি পৰতে শাক্যনায়ক অশোকৰ তম্বুলৈ আহিল আৰু ৰাতিৰ আহাৰৰ বাবে অশোকলৈ নিমন্ত্ৰণ জনালে। অশোক ক্ষণমাত্ৰৰ বাবে চিন্তাত ডুব গ'ল, ভাবিলে প্ৰধানমন্ত্ৰী আৰু সেনাধিপতিৰ সাৱধানবাণীৰ কথাখিনি। তেওঁলোকে কৈছিল ঃ বাটত কোনো পৰিস্থিতিতে অচিনাকি লোকৰ গৃহত আহাৰাদি নকৰিবা। শাক্য-নায়ক—মাত্ৰ দুটা দিনৰ চিনাকি, তথাপি তেওঁক অবিশ্বাস কৰাৰ কোনো সংগত হেতু বিচাৰি নাপাই অশোক এই নিমন্ত্ৰণ প্ৰসন্ন মনেৰেই গ্ৰহণ কৰিলে।

সেই নিশা অশোকক অতি উপাদেয় খাদ্যবস্তু খাবলৈ দিয়া হ'ল। সৰ্বপ্ৰকাৰৰ খাদ্যবস্তু বিদিশাই স্বহস্তে প্ৰস্তুত কৰিছিল। কেইপদমান বিদিশাৰ মাতৃয়েও প্ৰস্তুত কৰিছিল। প্ৰদীপৰ পোহৰেৰে উজলা বিদিশাৰ অপৰূপ লাৱণ্যময় মুখখনে অশোকৰ হৃদয়ত চাঞ্চল্যৰ ঢৌ নোতোলাকৈ নাথাকিল।

ভোজন সমাপ্ত হোৱাৰ লগে লগে আকাশখনক ক'লীয়া ডাৱৰে ছানি ধৰিলে। শাক্যনায়ক আৰু তেওঁৰ মিত্ৰ এজনো জোঁৰ হাতত লৈ অশোকৰ সৈতে তম্বুলৈ গ'ল।

ক্ষমতা, লোভ—কিমান যে কু-প্ৰবৃত্তিবোৰ!

ভাবি ভাবি গৈ গৈ তম্বু পাই অশোকে সেই দিনটো তাতেই জিৰণি ল'বলৈ থিৰাং কৰিলে।

অশোকে তেওঁৰ অনুচৰসকললৈ ক'লে, "আমি—কালিলৈ ইয়াৰপৰা উজ্জয়িনীলৈ যাত্ৰা কৰিম। আজি ইয়াতে থাকিম। ইয়াৰ প্ৰজাসকলে যাতে আমাৰ উপস্থিতিহেতুকে কোনো কষ্ট নাপায় — তাৰ প্ৰতি লক্ষ্য ৰাখিবা। মই দিনটো অকলশৰে অতিবাহিত কৰিম, মোৰ একান্ততা ভংগ নকৰিলেই ভাল পাম। আৰু—তোমালোকে তোমালোকৰ ইচ্ছামতে দিনটো অতিবাহিত কৰাঁ।"

তাৰ পাছত — অশোক নিকটৱৰ্তী শিপ্ৰা নৈত স্নান কৰিলে আৰু সেই দিগন্তবিস্তাৰী পাহাৰৰ মাজত — সৌন্দৰ্য্যময়ী প্ৰকৃতিৰ

তম্বু পোৱাৰ লগে লগেই বৰষুণ দিবলৈ ধৰিলে। অশোকে শয্যা গ্ৰহণ কৰিলে আৰু বৰষুণৰ মধুৰ মধুৰ ৰুণজুন শব্দৰ ঝংকাৰৰ আৱেশ পাই টোপনিত লাল-কাল দিলে।

মাজনিশামানতে হঠাৎ কিবা এক শব্দ উঠাত অশোকৰ টোপনি টুটিল। অশোক শয্যাত উঠি বহিল আৰু সেই অন্ধকাৰৰ মাজত দুটা ছায়ামূৰ্তিক নিশব্দে লৰ-চৰ কৰি থকা দেখা পালে। এটা ছায়ামূৰ্তিয়ে হঠাৎ এপাট তৰোৱাল ওপৰৰ পিনে দাঙি ধৰিলে।

আৰু—অশোকে জাঁপ মাৰি শয্যাৰপৰা নামি তম্বুৰ দেৱালৰ গাত ওলমি থকা তৰোৱাল হাতত লোৱাৰ মুহূৰ্ততে সেই ছায়ামূৰ্তিদ্বয় তাৰপৰা বেগেৰে ওলাল আৰু বিজুলীগতিৰে দৌৰি পলাল।

অশোকে তেওঁৰ দেহৰক্ষীহঁতক চিঞৰি মাতিলে, কিন্তু সিহঁতলৈ বৈ নাথাকি পলায়মান সেই ছায়ামূৰ্তি দুটাৰ পিছ ল'লে।

অন্য এজন মানুহো অশোকৰ পিছে পিছে আহি থকালৈ অশোকে মন কৰিলে। ছায়ামূৰ্তি দুটাৰ মাজত এটাক অশোকে ধৰিব পাৰি তললৈ বগৰাই পেলালে, আৰু অশোকৰ পিছে পিছে দৌৰি দৌৰি আহি থকা মানুহজনে আন ছায়ামূৰ্তিটোক ধৰা পেলালে। এই ছায়ামূৰ্তিদ্বয় আছিল দুজনী নৰ্তকী।

এনেতে দেহৰক্ষীহঁতো সেই ঠাই পালেহি। তিমানতে আকাশৰপৰা ডাৱৰ আঁতৰি জোনাকৰ সোণাৰং আদিগন্ত পৰিব্যাপ্ত হৈ পৰিছিল। নৰ্তকী দুজনীক তাত দেখা পাই দেহৰক্ষীহঁত অবাক-অপ্ৰস্তুত হৈ পৰিল।

সিহঁতে এই ঘটনা বা দুৰ্ঘটনাৰ আগ-গুৰি একোকে নুবুজি-নগমি ভেবা লাগিল।

অশোকৰ অৱস্থাও প্ৰায় তদনুৰূপ। কিয়নো—তেওঁৰ পিছে পিছে লৰৰি-ধাপৰি আহি-আহি দ্বিতীয় ছায়ামূৰ্তিটোক গবা মাৰি ধৰা সেই মানুহজন আছিল—বিদিশা!

বিস্ময়ৰ কোবত বোবা হৈ পৰা অশোকলৈ চাই বিদিশাই ক'লে, "আপোনাৰ অনুচৰসকলে গোটেই দিনটো এই নৰ্তকীহঁতৰ নৃত্য-গীতৰ সোঁতত জাহ গৈছিল। এই নৰ্তকীহঁতলৈ চাই—ইহঁতক কেৱল নৰ্তকী বুলি মই তেতিয়াই ভাবিব পৰা নাছিলোঁ, এতিয়া মোৰ তেতিয়াৰ ভাব-চিন্তা সঠিক বুলি জানিলোঁ। এই দুজনীয়ে আপোনাৰ অনুচৰ কেইজনমানৰ লগ লাগি ইয়ালৈ আহিছিল আৰু

তম্বুৰ ভিতৰলৈ সোমাই সকলো চাই গৈছিল যে—বৃদ্ধ ভিক্ষুগৰাকীৰ কাম-বনথিনি সামৰি গৃহলৈ ঘূৰোঁতে মই নিজ চকুৰেই দেখা পাইছিলোঁ। সৌভাগ্যবশতঃ মোৰ ভায়েক যশক তেতিয়া তাতেই লগ পাইছিলোঁ, আৰু তেতিয়াৰেপৰাই আমি দুয়ো এই দুজনীৰ গতিবিধিলৈ লক্ষ্য ৰাখিছিলোঁ। ইহঁতৰ লগত দুজন মতা মানুহো আছিল, সিহঁত আগতেই পলাল।"

"তেনেহ'লে — দ্বিতীয়বাৰতো মোক নিশ্চিত মৃত্যুৰপৰা বিদিশায়েই ৰক্ষা কৰিলে!"

"মই নিমিত্তমাত্ৰ, বুদ্ধইহে আপোনাক ৰক্ষা কৰিলে।" বিদিশাই তলমূৰ হৈ ক'লে।

বিদিশাৰ বিনয়নম্ৰ কথাত অশোক বিগলিতঅন্তৰ হ'ল, কিন্তু মুখেৰে কোনো মন্তব্য নকৰিলে। অশোকে সেই ভয়ংকৰী নৰ্তকী দুজনীলৈ চালে, আৰু তেতিক্ষণেই তম্বুলৈ বুলি খোজ বঢ়ালে।

এই নাচনিয়াৰ দুজনীৰ লগ লাগি অহা মতা মানুহ দুজনক বিচাৰি অশোকৰ দেহৰক্ষীহঁতে তোল-পাৰ লগালে, কিন্তু বহু পৰলৈ চেষ্টা কৰিও কোনো উৱাদিহ নাপালে।

অলপ পাছত—এডৰা ডাঠ জোপোহাৰ আঁৰত বিদিশাৰ ভায়েক যশে এটাক বিচাৰি পালে আৰু এইটোকো সেই দুজনীৰ হাতৰ সৈতে কটকটীয়াকৈ বান্ধি অশোকৰ সমুখত থিয় কৰালে। এনেতে—বিদিশাৰ পিতাক শাক্যনায়ক আৰু আন কেইগৰাকীমান প্ৰমুখ ব্যক্তি তালৈ আহিল। তেওঁলোকৰ জেৰাৰে জেৰবাৰ হোৱা নাচনিয়াৰ দুজনীয়ে স্বীকাৰ কৰিলে যে—সিহঁতে যুৱৰাজ অশোকৰ দেহৰক্ষীহঁতৰ খাদ্যবস্তুত তীব্ৰ নিচা হোৱা পদাৰ্থ মিহলাইছিল আৰু তাৰ কাৰণেই যুৱৰাজে সিহঁতক চিঞৰি মতা সত্ত্বেও সিহঁতে সময়মতে সাৰ পোৱা নাছিল আৰু অহাও নাছিল।

সিহঁতৰ কথা শুনাৰ অন্তত বিদিশাৰ পিতাক শাক্যনায়কে গম্ভীৰ কণ্ঠেৰে ক'লে, "এতিয়া আমি এই ভেদ ভাঙিব লাগিব যেএই গভীৰ ষড়যন্ত্ৰৰ আঁৰত কোন আছিল, কোন আছে। কোনে, বা কোনহঁতে এই ভয়ংকৰ চক্ৰান্ত কৰিছিল।"

বিদিশাৰ ভাতৃ যশেও কৈ উঠিল, "হাঁ, এই কথা জনাটো অতি জৰুৰী—পৰ্দেকে পিছে হ্যায় কওন্ ?"

[আগলৈ



ৰিনাশী-ৰিদ্যা

ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰপৰা সেই মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ দিনে-পোহৰেও খোজ ল'বলৈ ভয় কৰা ভয়ংকৰ মৰিশালিলৈ বুলি গৈ থাকিল, আৰু তেতিয়া মৃতদেহৰ ভিতৰত থকা বেতালে কৈ থাকিলঃ "হে ৰজা, মই আকৌ কওঁ, তুমি তোমাৰ প্ৰাসাদলৈ উভতি যোৱা, আৰু পৰম সুখৰে কালাতিপাত কৰাঁ। যুগ যুগ ধৰি এনেকৈ বৃথা শ্ৰমৰ অৰ্থ নাই। আনকি এই অকল্পনীয় শ্ৰমৰ যেগেদি কিবা ধৰণৰ শক্তি আৰ্জিব পৰা হ'লেও তাৰ কোনো অৰ্থ নাথাকিব, কিয়নো—তোমাৰ বয়সে পিছলৈ হেঁহকা নিদিব, আৰু সেইহে, তুমি সেই শক্তিভোগ কৰাৰো সময় নাপাবা। আৰু—যদিহে আন কোনোবা বক্ৰবুদ্ধি ধূৰ্তই তোমাক এই কৰ্মত কেনেবাকৈ নিযুক্ত কৰিছে—সেই ধূৰ্ত বক্ৰবুধীয়ায়ো তোমাৰ যোগেদি অৰ্জা শক্তিৰ ফল যে ভোগ কৰিব নোৱাৰিব, তাৰ এক উদাহৰণীয় বিনাশী-বিদ্যাৰ কাহিনী কওঁ, শুনা।"

এই বুলি বেতালে পুনৰ মুখৰ দুৱাৰ খুলিলে ঃ

বেতাল-কথা

ৰিশালদেশত বয়ধৰ নামেৰে এজন মাউৰা ডেকা আছিল, যিজন ডেকাক ৰাইজে 'বয়া' বুলি মাতিছিল। বয়াক তথা বয়ধৰক তাৰ কিছু দূৰ-সম্পৰ্কীয় এক মোমায়েকে পালন-পোষণ কৰিছিল আৰু মোমায়েকে তেওঁৰ দেখাত অগটী ছোৱালীজনীক একোপধ্যে বিয়া দিব নোৱাৰি মৰাৰ আগতে শেহান্তৰত পঢ়া-লিখা নজনা, আনকি কোনো কাম-বনো নজনা-নকৰা, টলৌ-টলৌ টলা বয়াৰ লগতে টিকে-চুলিয়ে লগ লগাই দিছিল।

বয়ধৰৰ অৰ্থাৎ বয়াৰ মনত আশা আছিল যে — সি কোনোবাদিনা কেনেবাকৈ নিশ্চয় ৰজাৰ অধীনত ভালৰো ভাল কাম এটি পাই যাব আৰু আয়মৰে খাই থাকিব। সেইহে, সি ডাঙৰ হৈ নিজে-নিজেই লিখা-পঢ়াতো ধৰিছিল, কিন্তু পঢ়ন এৰি দিয়া বয়সত ধৰাত চবেই তাক জোকাইছিল। জোকাইছিল — কিন্তু বয়াক সকলোটিয়েই বিচাৰিছিল বিভিন্ন কাৰণত। বিশেষকৈ কিবাকিবি ভয় থকা ডৰ লগা টান কামত। কিয়নো—নিবুদ্ধি হ'লেও বয়া আছিল নিডৰ-নিৰ্ভয়। যিবোৰ কামত সাহিয়ালৰো সাহিয়ালে এখোজো নল'ব, বয়াই বিনা ওজৰতে ঔচ বুলিলেই আহিব আৰু যেইকোনো ভয়াল কামত যেইকোনো জয়াল ঠাইলৈকো আগুৱাই যাব।

এবাৰ কিছুমানে বয়াৰ লগত বাজি মাৰিল যে—সি যদি গাঁৱৰ এমূৰত থকা সেই সাতাম-পুৰুষীয়া গড়ৰ ভিতৰলৈ দুপৰ নিশা সোমাবগৈ পাৰে, তেনেহ'লে বাস্তৱিকতে — বয়াক বেয়াৰ সলনি বীৰ বুলি মানি লোৱা হ'ব। কিন্তু সেই আওপুৰণি ভূত-প্ৰেতৰ আবাস গড়ৰ ভিতৰলৈ কেৱল সোমালেই নহ'ব, তাত যে সি দুপৰ নিশাৰ পৰতে সোমাইছিলগৈ— তাৰ প্ৰমাণ হিচাপে তাৰপৰা কিবা এটা লৈ আহিব লাগিব। ৰাইজে জানিছিল আৰু মানিছিল যে সেই সাতামপুৰুষীয়া গড়ৰ ভিতৰত হেজাৰ-বিজাৰ মানুহ মৰিছিল, আৰু সেইবোৰ মৰামানুহ ভূত-পিশাচ হৈ তাতেই সদা-সৰ্বক্ষণ, বিশেষকৈ ৰাতিৰ পৰতে হাঁহি-কান্দি ফুৰিছিল, আৰু সিহঁতৰ — সেই ভূত-প্ৰেতবিলাকৰ হাঁহন-কান্দোন বহু দূৰৰপৰা বহুতেই বহুবাৰ শুনিছিল।

কিন্তু বয়াৰ মতে—সেইবোৰ কান্দোনৰ শব্দ নাছিল, আছিল বতাহৰ সোঁ-সোঁৱনি, শুনাত যেনিবা মৃত আত্মাৰ কৰুণ-ধ্বনি।

যি কি নহওক—বীৰৰ ওপৰতো বীৰ গজা বিৰিংগুটি বয়াই কোনো কথাতে বেবুৰা নালাগি বোপাকালৰ সেই গড়ৰ ভিতৰলৈ দুপৰ ৰাতি দুপদুপাই সোমাই গ'ল, আৰু তাত — সেই নিজৰ হাতখনো মনিব নোৱৰা এন্ধাৰৰ মাজত সেই বিৰাট আহল-বহাল গড়ৰ ভিতৰত টহলি ফুৰি থকা হ'ল।

এইদৰে টহলি ফুৰোঁতে হঠাৎ তাৰ ভৰিত কিবা এটা লাগিল, আৰু সি সেই বস্তুটোকে বুটলি লৈ গড়ৰপৰা ওলাই আহিল।

এই বস্তুটো আছিল এটা মানুহৰ মূৰৰ লাওখোলা। পাছদিনা লাওখোলাটো বয়াই তাৰ বাজি-মৰা বন্ধুহঁতক দেখুৱালে।

লাওখোলাটো চাই বাজিমৰাহঁত কঁপি থাকিল আৰু এইটো কোনোবা খালত বা নৈত দলিয়াই পেলাবলৈ কৈ থাকিল তাক। কিন্তু বয়াই সিহঁতৰ কথাইল পৰোৱা নকৰিলে আৰু সেই লাওখোলাটো তাৰ ঘৰতেই চাঙত উঠাই থৈ দিলে।

এৰাতি সি যেতিয়া টোপনিত বৰি-বকৰা নজনাটো হৈ লাল-কাল দিলে, তেতিয়া হঠাৎ কিবা ধৰণৰ খটমট খটাছখট শব্দ শুনি সি সাৰ পালে, আৰু ইতি-উতি চাই-চিতি সেই লাওখোলাটো থৈ দিয়া ঠাইত কিবা এটা— দেখাত ভয়াল মূৰ্তি এটা — দেখা পালে। মূৰ্তিটোৰ গাৰ বৰণ তাম যেন, চকু দুটা খোৰোঙৰপৰা ওলোৱা কয়লাৰ অঙঠাৰ দৰে জ্বলিছিল, আৰু ভূতটো আছিল দাঁড়ীয়া বুঢ়াভূত।

"তোমাৰ ধৈৰ্য্য, সাহস আৰু আমাৰ ভূত-প্ৰেতৰ প্ৰতি সৎ বিশ্বাস — বাস্তৱিকতে

শলাগিবলগীয়া। তুমি যে মোক সেই এন্ধাৰ-আলান্ধুৱা গড়ৰপৰা আনি ঘৰত ঠাই দিছা— তাৰ কাৰণে মই বৰ ভাল পাইছোঁ। তুমি যেতিয়াই মোক সুঁৱৰিবা, তেতিয়াই মই তোমাৰ আদেশ পালিবলৈ হাজিৰ হ'মহি। মোক তোমাৰপৰা আন একোৱেই নালাগে, কেৱল মোল্লগত সুখৰ-দুখৰ গল্প কৰিলেই হ'ব। কিন্তু যদি তুমি তথাপি মোক ভয়-কৰা, মোক পুনৰ তাতেই পেলাই থৈ আহিলেও মই তোমাৰ কোনো অনিষ্ট নকৰোঁ।" বুঢ়া ভূতটোৱে বয়ধৰক ক'লে।

"ভয়-ডৰৰ কথা নাই। ময়ো এদিন মৰিম, আৰু তোমালোকৰ লগতেই কিজানি থাকিম, ককা।" বয়াই বলাই-ঘটাই ক'লে, "পিছে ককা—তোমাৰ আগৰ চিনাকিনো কি ?"

"মোৰ নাম আছিল বিদ্যাধৰ। মই অনেক বিধৰ বিদ্যা অধিগত কৰিছিলোঁ, কিন্তু মোৰ ভাল লগা বিদ্যা আছিল শল্য-চিকিৎসা।" দঢ়ীয়া ভূতে ভাল মুখে কত কথা কৈ থাকিল।

এইদৰে যে কিমান পৰলৈ কিমান কথা পাতিলে দুয়ো মিলি—সিমান হিচাপে কাৰো নাই। হিচাপ কৰিলে তেতিয়াহে — যেতিয়া কুকুৰাই মাতিলে আৰু অলপ পাছতেই পূবে ধলফাট দিলে।

আৰু ধলফাট দিয়াৰ লগে লগেই বিদ্যাধৰে নদেখা হৈ দিলে।

পাছদিনা, ৰাতিৰ পৰতে বয়াই পুনৰ বুঢ়া ভূতক সুঁৱৰিলে আৰু নিমিষতে বুঢ়া ভূত বয়াৰ আগত হাঁহি থিয় দিলেহি। তাৰ পাছত—মাজ নিশালৈকে সুখৰ-দুখৰ গল্প চলি থাকিল, আৰু এসময়ত বুঢ়া ভূতে বয়াক জিৰণি ল'বলৈ কৈ তাৰপৰা নোহোৱা হ'ল।

এইদৰেই কিছুদিন চলি থাকিল। বয়াৰ ঘৈণীয়েক বনুমীয়ে এদিন গিৰিয়েক বয়াক সুধিলে যে নিতৌ নিশাৰ পৰতে তেওঁ ক'লৈ যায়, কি কৰে। এই প্ৰশ্নৰ উত্তৰত বয়াই বনুমীক সঁচা কথাকৈ কৈ দিলে।

"ভূতৰ লগতো বন্ধুতা হ'ব পাৰেনে? কেতিয়াবা কিন্তু বিপদ হ'ব পাৰে। এতেকে—এতিয়াই এনেবোৰ বিপদৰপৰা সাৰিবৰ সুৰুঙা বিচৰাই ভাল।" বনুমীয়ে বুজাই ক'লে বয়াক, "সৰ্বনাশ হোৱাৰ আগতেই এইবোৰ অপায়-অমঙলৰ বাটৰপৰা আঁতৰ হ'ব লাগে।"

তাৰ পাছত—লাহে লাহে বয়াই যেতিয়া বুঢ়া ভূতৰপৰা গা-এৰা দিয়াৰ দিহা কৰিলে, তেতিয়া বুঢ়া ভূতে বয়াৰ বেওকুফী বুজি পাই বেজাৰ পালে।

এদিন দুয়ো দবা খেলি থাকোঁতে বয়াই প্ৰথমৰেপৰাই হাৰি আছিল। এই কথাত বুঢ়া ভূতে বয়াক বেয়া পাই নিমিষতে নোহোৱা হৈ গ'ল, আৰু বয়ায়ো পোনে পোনেই ঘৰলৈ গৈয়েই বিছনাত দীঘল দি পৰিল।

টোপনিৰ মাজত বয়াই বৰ অস্বস্তি পাই থাকিল। তাৰ আগত বিদ্যাধৰ-ভূত খাড়া হৈ আছিল, আৰু বিদ্যাধৰৰ হাতত আছিল চোকৰ তৰোৱাল, আৰু সেই তৰোৱালত লাগি আছিল ৰঙা ৰঙা তেজ। এইবোৰ চাই — বয়াই টোপনিতে বেহুঁচ হৈ পৰিল।

অলপ পাছত—যেতিয়া বয়াই পুনৰ চকু মেলি চালে, তেতিয়া তাত সি বিদ্যাধৰক দেখা

পালে। বিদ্যাধৰে হাঁহিৰে বয়াক ক'লে, "ডৰ নকৰা, তোমাৰ কোনো বিপদ নহ'ব। মোক— কমেও মোৰ সমান বুদ্ধিমান বন্ধু এজন লাগে। সেইহে মই তোমাক এতিয়া বুদ্ধিশালী বনাই দিছোঁ, আৰু তাৰ ফলত তোমাৰ-মোৰ বন্ধুতা এতিয়াৰপৰা যথেষ্ট দ' হ'ব, তোমাৰ লগত কথা পাতি এতিয়াৰপৰা দুগুণ মজা পাম।"

বুঢ়াভূত বিদ্যাধৰৰ কথা সাঁচেকাটেই সঁচা। কেৱল বিদ্যাধৰেই নহয়, ল'ৰা-বুঢ়া ডেকা-গাভৰু সকলেটিয়েই এতিয়া বয়াৰ বুদ্ধি চাই বিস্মিত হয়। আৰু — গৈ গৈ যেতিয়া একালৰ ব-ছেৰা বয়াৰ বুদ্ধিমন্ততাৰ কথা দেশৰ ৰজাৰো কাণ ছুলেগৈ — তেতিয়া ৰজাই এনেহেন বুদ্ধিমন্ত এজনক তেওঁৰ তলতীয়া নকৰি নোৱাৰি তেওঁৰ কামত মকৰল কৰিলে।

বয়াৰ ঘৈণীয়েক বনুমীয়ে কিন্তু নজনাকৈ নাথাকিল যে গিৰিয়েকৰ হঠাৎ-বুদ্ধিৰ গুৰিত আছে সেই ব-চুঙা বুঢ়া ভূত।

এনিশা বয়াক অতিপাত চিন্তাগ্ৰস্ত হৈ থকা দেখি বুঢ়া ভূত বিদ্যাধৰে বয়াক সুধিলে যে তাৰ ইমান চিন্তাৰ হেতু কি।

"মই যেতিয়া সৰুতে গৰুটো হৈ আছিলোঁ, তেতিয়া মোমায়ে মোৰ বিয়া পাতিছিল—এইজনী কুৰূপা বনুমীৰ লগত। কুৰূপা—কিন্তু তথাপি মই তাইক তাইৰ চৰিত্ৰৰ বাবে ভালেই পাওঁ। এতিয়া ভাবিছোঁ—তাইৰ সুচৰিত্ৰৰ অনুৰূপে তাই ৰূপৱতী হোৱাহেঁতেন কিমান যে ভাল হ'লহেঁতেন।

বয়া তথা বয়ধৰৰ কথাৰ উত্তৰত বিদ্যাধৰে ক'লে, "মই তোমাৰ ঘৈণীয়েৰাক সুন্দৰী বনাই

দিব পাৰোঁ, কিন্তু তাৰ বাবে কিছুদিনলৈ ৰৈ থাকিব লাগিব। বনুমীক সুন্দৰী-ৰূপৱতীলৈ ৰূপান্তৰিত কৰাৰ আগতে কোনোবাজনী অনুৰূপ সুন্দৰী-ৰূপৱতীক বিচাৰি উলিয়াব লাগিব।" বিদ্যাধৰে বয়াক ক'লে।

বিদ্যাধৰ বুঢ়াৰ কথাৰ অৰ্থ বয়াই বুজিব নোৱাৰি মনে মনে থাকিল।

এমাহৰ অন্তত এনিশা বুঢ়াভূত বিদ্যাধৰে বয়াক টোপনিৰপৰা জগালে আৰু ক'লে, "তুমি তোমাৰ পত্নীক এবাৰ চাই আহাঁগৈচোন—"

বয়াই কাষৰীয়া কোঠাটোলৈ গ'ল আৰু ঘোচামৰ জৱী বনুমীৰ ৰূপ চাই হৰি হৰি বুলিলে। ইমান ৰূপ আনকি স্বৰগৰ অপসৰাহঁতৰো আছে বুলি সি বয়ধৰে ভাবিব নোৱাৰিলে।

পাছদিনা চুলি ফণিয়াওঁতে দাপোণৰ আগত থিয় হৈ বনুমীয়ে চিঞৰি দিলে। বয়াই বনুমীক ক'লে যে — এইবোৰ হ'ল বুঢ়া ভূত বিদ্যাধৰৰ দান। এই কথাত বনুমীয়ে ভালেই পাব লাগিছিল, কিন্তু তাই বয়া-বিদ্যাধৰৰ এই বন্ধুতাৰ কথাত ভয়েই খালে। ভূতে-মানুহে কেনেকৈনো বন্ধুতা হয় ? তেলে-পানীয়ে কেতিয়াবা মিল হয়নে ?

তাৰ পাছত বয়াই জানিলে যে এতিয়াৰ বনুমীৰ মুখখন আচলতে আন এখন দেশৰ এজনী যুৱতীৰ মুখ। কোনোবা দুষ্টই সেইজনীক হত্যা কৰাত বিদ্যাধৰে এই জাদু-ক্রিয়া কৰিব পাৰিলে। কিন্তু সেই যুৱতীৰ গিৰিয়েকে হত্যাকাৰীক বিচাৰি এই নগৰলৈকো আহিব পাৰে যে — সেই কথাতো সন্দেহ নাই।

বয়াই বুঢ়া বিদ্যাধৰক সকলো কথা ভাঙি-পাতি ক'বলৈ টানি ধৰাত বিদ্যাধৰে বয়াক ক'লে, "দেৱতাৰ দৰে বৰ দান কৰাৰ শকতি মোত নাই। মই কেৱল কিছুমান শল্য-চিকিৎসাহে উত্তমৰূপে জানো, যাৰ দ্বাৰা তোমাক বিদ্যাৱন্ত আৰু তোমাৰ পত্নীক ৰূপৱন্ত কৰিব পাৰিছোঁ। তোমাক বেহুঁচ কৰি তোমাৰ বেয়া মগজুৰ ঠাইত আন এজনৰ উত্তম মগজু ভৰাই থৈছোঁ, আৰু তোমাৰ পত্নীৰ মূৰটো কাটি লৈ সেই ঠাইত সেই নিহত ৰূপৱতীৰ মূৰ লগাই দিছোঁ। কথা—হওঁতে ইমানেই।"

"তেনেহ'লে — সেইজনী ৰূপৱতীক তুমিয়েই হত্যা কৰিলা !" বয়াই বিষমভাবে চিঞৰি উঠি ক'লে।

বুঢ়াভূত বিদ্যাধৰ খঙতে ৰঙা পৰিল আৰু চিঞৰি চিঞৰি কৈ থাকিল, "আগৰ জনমত পাপ হেতুকে এই জনমত মই ভূত হ'লোঁ। তথাপি মই কিয় আকৌ পাপ কৰি থাকিম ? মই যদিও কাৰণ নাজানো, তথাপি এই কথা জানো যে সেইজনী ৰূপৱতীক আন কোনোবাইহে মূৰ কাটি হত্যা কৰিলে। মই সেই মূৰটো মোৰ শল্য-বিদ্যাৰে লগাই দিলোঁ — মোৰ দোষ বোলা-জগৰ বোলা ইমানেই।"

"হোৱা কথা হৈ গ'ল। কিন্তু সেই যুৱতীগৰাকীৰ পতি ইয়ালৈকো হত্যাকাৰীক বিচাৰি আহিব। তেওঁ যদি ৰজাৰ ওচৰত গোচৰ দিয়েগৈ — তেতিয়া মোৰ কি হ'ব ?"

বিদ্যাধৰে বয়ধৰৰ কাপুৰুষতালৈ চাই হাঁহি মাৰি ক'লে, "নডৰা। মই তোমাৰ বন্ধুতা নেৰোঁ, এৰিব নোৱাৰোঁ। তোমাক ৰক্ষাৰ

কাৰণে মই পুনৰ মোৰ শল্যবিদ্যা কামত লগাম। সেই ৰূপৱতীৰ পতিয়ে যিদিনাই ৰজাৰ ওচৰত গোচৰ তৰিব, সেই দিনাই তেওঁৰ মূৰটো তোমাক আৰু তোমাৰ মূৰটো তেওঁক দিম। তেতিয়া — ৰজাৰ প্ৰহৰীহঁতে তোমাৰ সলনি তেওঁক বান্ধি লৈ যাব, আৰু ৰজাই তোমাৰ সলনি তেওঁকহে দণ্ড বিহিব। হ'বনে ?"

পাছদিনাই বয়ধৰে বুঢ়া ভূত বিদ্যাধৰৰ লাওখোলাটো লৈ মৰিশালিলৈ গ'ল, আৰু তাত দ' গাঁত এটা খান্দি সেই বুঢ়া-ভূতৰ লাওখোলাটো পুতি থ'লে আৰু সেই দিনাই পত্নী বনুমীক লগত লৈ সেই নগৰ এৰি বহু দূৰলৈ গুচি যাবলৈ খোজ ল'লে।

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমক ক'লে, "হে ৰাজন্ ! বয়ধৰৰ এই কাৰ্য্যৰ অৰ্থনো কি ? বিদ্যাধৰৰ সহায়তাৰে তাৰ মংগলেই হোৱা নাছিল জানো ? বয়ধৰ তথাপি কিয় সেই নগৰ এৰি গুচি গ'ল ? আৰু—যি-বিদ্যাধৰে বয়ধৰক প্ৰকৃত বিদ্যাৱান-বুদ্ধিমান কৰি তুলিছিল, তাৰ নগণ্য জীৱনক গণ্য কৰি তুলিছিল, সেই বিদ্যাধৰলৈ কৃতঘ্নতা প্ৰদৰ্শন কৰাটো বয়ধৰৰ পক্ষে উচিত হৈছিলনে ? এই প্ৰশ্নৰ সদুত্তৰ জানিও যদি সঠিককৈ নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্য ৰজাই ক'লে, "বয়ধৰ কৃতঘ্ন আছিল—এই কথা একোপধ্যেই ক'ব নোৱাৰি। প্ৰকৃতপক্ষে — বুঢ়া ভূত বিদ্যাধৰৰ সহায়-সাৰথিত বয়ধৰৰ কোনো প্ৰয়োজন নাছিল, বিদ্যাধৰে আপোন স্বাৰ্থতে বয়ধৰক প্ৰলোভনময় জীৱনৰ লুভীয়া কৰি তুলিছিল—এই কথাত অনুমাত্ৰো সন্দেহৰ থল নাই। আৰু — বয়ধৰক একোকে নোকোৱাকৈ বুঢ়াভূত বিদ্যাধৰে তাৰ শল্য-দক্ষতাৰে যি-কাৰ্য্য কৰিছিল — সেই কাৰ্য্য আছিল দেখ দেখকৈ অসৎ কাৰ্য্য। বিদ্যাধৰ ভূতে ক্ৰমাত অধিককৈ অসৎ কাৰ্য্য কৰালৈ চাইহে বুদ্ধিমন্ত বয়ধৰে চিৰস্থায়ীভাৱে বিদ্যাধৰভূতৰ লাওখোলাটোক গভীৰ গাঁতত পুতি থৈ দৰাচলতে ভূতৰ বিনাশী-বিদ্যাৰ কবলৰপৰা নিষ্কৃতি লাভছিল। এই কাৰ্য্যত বয়ধৰৰ কৃতঘ্নতাৰ প্ৰমাণ নাই।"

এই কথা শুনিয়েই বেতালে সেই মৃতদেহটো লৈ তাৰপৰা নিমিষতে নোহোৱা হৈ পুনৰ সেই গছজোপালৈ গুচি গ'ল। [কল্পিত



আচল কথা

কুঞ্জপুৰ গাঁৱৰ কৃষ্ণচন্দ্ৰ আছিল বেদ-পুৰাণ-গীতা আদিৰ পাঠক-ব্যাখ্যাকাৰক বিখ্যাত মানুহ। কৃষ্ণচন্দ্ৰৰ ব্যাখ্যান শুনি ৰাইজে ভালেই পাইছিল। কৃষ্ণচন্দ্ৰৰ গুণৰ সীমা নাছিল ; কিন্তু এটি দোষও নথকা নাছিল। কৃষ্ণচন্দ্ৰ আছিল পাহৰা ধানৰ ভাত খোৱাবিধৰ মানুহ। ইকথা-সিকথা কওঁতে কওঁতে কেতিয়া যে আন কথালৈ বাগৰে—গমেই নাপায়। আৰু—এই কাৰণে কেতিয়াবা-কেতিয়াবা কিছুমানে কৃষ্ণক লৈ ধেমালি-ধুমুলা কৰে, কিছুমানে তেওঁক কঁকাল-কটা কৰিবলৈকো তাৰ বিচাৰে।

এদিন এঠাইত ৰামচন্দ্ৰৰ বিষয়ে ব্যাখ্যান শুনিবলৈ আয়োজন কৰা হ'ল। কৃষ্ণচন্দ্ৰই তাত থিয় হৈ সমজুৱাক কৈ থাকিলঃ "আজি গোকুলাষ্টমী, শ্ৰীকৃষ্ণৰ জন্মদিন। কৃষ্ণৰ অৰ্থ হ'ল ক'লা। ক'লা হ'ল অন্ধকাৰৰ প্ৰতীক। অজ্ঞানতাৰূপী অন্ধকাৰক গুচাবলৈহে পৰমাত্মা শ্ৰীকৃষ্ণই জনম লৈছিল। কিন্তু এই পৰমাত্মা জনমিছিলনো ক'ত ? ফাটকত। এতিয়া, যদি এই তত্ত্বৰ গভীৰলৈ প্ৰবেশ কৰোঁ, তেনেহ'লে—প্ৰতিজন মানুহৰ দেহ যে দৰাচলতে এখনকৈ ফাটক—সেই কথা ফটফটীয়াকৈ ওলাই পৰিব। আমাৰ দেহৰ ভিতৰত আছে আত্মা, আৰু সেই আত্মায়েই হ'ল পৰমাত্মা শ্ৰীকৃষ্ণ। এই উছৱ—এই কৃষ্ণাষ্টমী—দৰাচলতে মানৱৰ আত্মজ্ঞানৰ বোধ।" এই বুলি কৈ, কৃষ্ণচন্দ্ৰ ক্ষন্তেকৰ বাবে ৰ'ল। ৰ'ল—হাত-চাপৰি শুনাৰ আশাৰে।

কিন্তু হাত-চাপৰিৰ শব্দ নুঠাত, আৰু কিছুমানে তলমূৰ হৈ শৱদ নকৰাকৈ হঁহাত কৃষ্ণচন্দ্ৰই তেওঁৰ ওচৰত থকা পণ্ডিত পয়োধৰশৰ্মাক সুধিলে, "হেৰি শৰ্মাদেউ, মোৰ ভাষণত কিবা দোষ-ত্ৰুটি হ'লনে — ? মই কিবা অপ্ৰাসংগিক কথা ক'লোঁনে ? কিবা—নল-জোৰাকে দিলোঁনে ?"

"ডাঙৰীয়া, আপুনি হ'ল উত্তমৰো উত্তম বক্তা। আপোনাৰ ভাষণ ব্যাখ্যানত দোষ-ত্ৰুটিৰ প্ৰশ্নয়েই নুঠে। পিছে—হেৰি আৰু—আজি যে কৃষ্ণাষ্টমী নহয়, ৰামনৱমী—সেই সামাইন কথাটোহে আচল কথা।"

সফেন সাগৰ সৌ দূৰ-সুদূৰ বাগৰি বাগৰি বলে গোপালৰপুৰ

ৰচন : মীৰা নায়াৰ ✵ আঁকন : গোপকুমাৰ

এইবাৰ আমি আমাৰ দেশৰ দীৰ্ঘতম সাগৰতটীয় বাটেৰে বাট বুলি বুলি সাগৰৰ পাৰে পাৰে গৈ থাকিম। এই সাগৰতটীয় বাটছোৱা গোস্থানি নৈৰ মোহনাত থকা গছে-বনে ভৰপূৰ সৰুকৈ চহৰখন ভীমুনিপতনমৰপৰা চৌবিছ কিল'মিটাৰলৈ বিয়পা। একালত সপ্তদহশতিকাত ভীমুনিপতনম্ আছিল এখন হলেণ্ডীয় (ডাচ) উপনিবেশ। এতিয়াও ইয়াত সিদিনাৰ সেই ঔপনিবেশিক ৰাজত্বৰ কিছুমান চিন—যেনে—এটি জৰাজীৰ্ণ দুৰ্গ, কিছুমান বৰতোপ, সমাধি-সৌধ আদি—পৰিলক্ষিত হয়। এইখন ভীমুনিপতনম্ ভ্ৰমণাৰ্থীসকলৰ এক অতি আকৰ্ষণীয়-দৰ্শনীয় ঠাই।

অন্ধ্ৰৰ সাগৰপৰীয়া অন্যতম জিলা হ'ল *শ্ৰীকাকুলাম*। ইয়াত সূৰ্য্য-দেৱতাৰ মন্দিৰ আছে। এই মন্দিৰৰ নাম হ'ল *প্ৰভু সূৰ্যনাৰায়ণ*। শ্ৰীকাকুলামৰ *আৰাছাৱল্লী* নামৰ ঠাইত এই সূৰ্য্য-মন্দিৰ অৱস্থিত। এই মন্দিৰৰ নিৰ্মাণ-কৌশলত এক বিশেষ বিশেষত্ব আছে। বছৰি দুবাৰ এই মন্দিৰত থকা মূৰ্তিৰ চৰণত সূৰ্য্যৰ পোহৰ পৰেহি। ১৭৭৮ চনত, শ্ৰী য়েলমানচিল্লি পুল্লাজী পান্থুলু নামৰ এগৰাকী মহান ধাৰ্মিক ব্যক্তিৰ প্ৰচেষ্টাৰে এই মন্দিৰ যথোচিতভাৱে সংস্কৃত তথা পুনৰ্নিৰ্মিত হৈছিল।

প্ৰভু সূৰ্য্যনাৰায়ণ মন্দিৰ

হলেণ্ডীয় সমাধি-সৌধ



কুৰ্ম

আমাৰ পৰৱৰ্তী যাত্ৰা হওক *শ্ৰীকুৰ্মন*। শ্ৰীকুৰ্মনৰ অৰ্থ হ'ল পৱিত্ৰ কচ্ছপ বা কাছ। সাগৰপৰীয়া বিখ্যাত বিষ্ণুমন্দিৰৰপৰা এই নামকৰণ কৰা হৈছে। এই মন্দিৰ হ'ল আমাৰ দেশৰ একমাত্ৰ বিষ্ণুমন্দিৰ—যি-মন্দিৰত দশাৱতাৰ বিষ্ণু তেওঁৰ দ্বিতীয় অৱতাৰ কুৰ্ম অৱতাৰৰূপে পূজিত হৈছে। এই মন্দিৰ-সংলগ্ন শ্বেতপুষ্কৰিণীৰ পানীলৈ কোনোবা মৃতকৰ দেহাস্থি বিসৰ্জন কৰিলে সেই মৃতক হেনো পুনৰ কাছ হৈ ওপজে—অৰ্থাৎ কুৰ্ম-ৰূপ প্ৰাপ্ত হয়।

শ্ৰীকাকুলামৰ উত্তৰ সীমাত গোদাৱৰী নৈৰ অন্যতম শাখা নৈ *মাচকুন্দ*নৈ যুগপৎ অন্ধ্ৰ আৰু ওড়িশাৰ মাজেদি প্ৰবাহিত হৈছে। ১৯৫৫ চনত মাচকুন্দ থাৰ্ম্যাল স্টেশ্যান প্ৰতিষ্ঠিত হৈছে। অন্ধ্ৰ আৰু ওড়িশাৰ সমূহ ৰাইজৰ বাবে গঠিত এই থাৰ্মাল স্টেশ্যান হ'ল অন্ধ্ৰ আৰু ওড়িশাৰ যুগ্ম উদ্যোগ।

সুপ্ৰাচীনকালত, বৰ্তমান ওড়িশাৰ অধিকভাগ স্থান আৰু অন্ধ্ৰৰ সাগৰপৰীয়া ঠাইবোৰ আছিল কলিঙ্গৰ অন্তৰ্ভুক্ত। তেতিয়াৰ কলিঙ্গ আছিল সিংহল (শ্ৰীলঙ্কা) আৰু ব্ৰহ্মদেশ (মায়নমাৰ/মানদেশ), ইন্দ'নেজিয়া আৰু পূব-এছিয়াৰ অন্যান্য দেশৰ সৈতে বাণিজ্যৰ অন্যতম কেন্দ্ৰ। মহাভাৰতত উল্লিখি পলৌৰা, আল্‌বা আৰু চৰিত্ৰপুৰ আছিল কলিঙ্গদেশৰ অন্তৰ্ভূক্ত বন্দৰ।

তাহানিৰ কলিঙ্গদেশৰ বাণিজ্যিক নাও

ভাৰতবৰ্ষৰ ইতিহাসত কলিঙ্গ অতি গুৰুত্বপূৰ্ণ। সম্ৰাট অশোকে এই কলিঙ্গদেশৰ বিজয়ৰ পাছত মৌৰ্য্য সাম্ৰাজ্যৰ বিস্তাৰ তথা ৰক্তাক্ত যুদ্ধ পৰিত্যাগ কৰিছিল আৰু অহিংস বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল।

কেশৰী আৰু গঙ্গা ৰাজবংশৰ ৰাজত্বকালত—৪ আৰু ১৩শতিকাৰ মাজত কলিঙ্গ আছিল উজ্জ্বল জ্যোতিষ্কৰ দৰে। ১৯৪৯ চনত, ভাৰতৰ স্বাধীনতাপ্ৰাপ্তিৰ দুবছৰৰ অন্তত, ওড়িশাৰ ২৬ খন ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন 'ৰাজ্য' মিলি বৰ্তমান ওড়িশা গঠিত হৈছে।

যদিও বৃটিছ-ৰাজত্বকালতে ওড়িশাই তাৰ সমুদ্ৰ-বাণিজ্যৰ গুৰুত্ব হেৰুৱাইছিল, তথাপি, ওড়িশাৰ অধিবাসীসকলে তেওঁলোকৰ পিতৃপুৰুষসকলৰ সেই সামুদ্ৰিক শৌৰ্য্যক '*বৈঠা-বন্দন*' উৎসৱৰ যোগেদি সোঁৱৰে। প্ৰতিবছৰ কাৰ্তিক-পূৰ্ণিমাৰ দিনা এই 'বৈঠা-বন্দন' উৎসৱ পালন কৰা হয়। এই উৎসৱৰ অংগ হিচাপে এওঁলোকে বাঁহেৰে সৰু সৰু নাও সাজি মাটিৰ চাকি জ্বলাই নাৱত থৈ সেই নাৱৰ সমদল সাগৰলৈ উটুৱাই দিয়ে।

মিহিৰ সেন, যিগৰাকী ভাৰতীয়ই পোনপ্ৰথমে ইংলিছ চ্যানেল সাঁতুৰি অতিক্ৰম কৰিছিল, তেওঁ সেই সুপ্ৰাচীনকালৰ দৰে পলৌৱাৰপৰা ইন্দ'নেজিয়ালৈ নাৱেৰে অভিযান কৰিছিল — সেই কালৰ কলিঙ্গৰপৰা যৱদ্বীপলৈ (জাভা) যোৱাৰ সমুদ্ৰপথ পুনৰাৱিষ্কাৰৰ বাবে। এই অভিযানৰ বাবে তাহানিৰ কলিঙ্গীয় নাৱৰ দ[illegible] ৩০ ফুটীয়া নাও নিৰ্মাণ কৰা হৈছিল।

গোপালপুৰ ওড়িশাৰ দক্ষিণদিশীয় সাগৰপাৰত অৱস্থিত। বৃটিছসকলে গোপালপুৰক নতুনকৈ নামকৰণ কৰিছিল— *গোপালপুৰ-অন্-চি*।

বৈঠা-বন্দন

এই ঠাইৰ অধিবাসীসকলে তেওঁলোকৰ সাতামপুৰুষীয়া ঐতিহ্য বজায়-ৰাখিছে। তিৰোতাসকলে উপজিপুৰাতে উঠি আলি-পদূলি সাৰে, দুৱাৰমুখ চাউলৰ গুড়িৰ আলিপনেৰে চিত্ৰিত কৰে। বেলিয়ে ভুমুকিউৰাৰ অগতেই মতামানুহবোৰ সাগৰপাৰত গোট খায়হি আৰু তাত পোনপ্ৰথমেই সকলোটিয়ে মিলি সূৰ্য্যদেৱতালৈ — জীৱনদাতালৈ — প্ৰণমে, আৰু স্তুতিগীতিৰে আহ্বানে, আৰু সদৌশেষত সাগৰজলত ডুব দি দেহক ধৌত-পৱিত্ৰ কৰে।

গোপালপুৰত সামুদ্ৰিক বাতি-ঘৰ বা লাইটহাউছ আছে। কিবা কাৰণত সাগৰৰপৰা উভতি আহোঁতে ৰাতি হ'লে এই বাতি-ঘৰেই হৈ উঠে ৰাতিৰ দিগ্‌দৰ্শক।

গোপালপুৰীয়া মাছমৰীয়াহঁতে অন্ধ্ৰৰ আৰু বঙ্গৰ মাছমৰীয়াহঁতকৈ বেলেগ ধৰণে সাগৰলৈ ওলায়। গোপালপুৰীয়া মাছ-মৰীয়াহঁতৰ বিশেষ ধৰণৰ চিন হ'ল—ওপৰৰ ফালে জোঙা টুপি।

মাছমৰীয়াহঁতে সিহঁতৰ নাও পাৰলৈ লৈ অহাৰ দৃশ্য

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997



ভক্তবৈশ্য ভগৱন্ত

৩

দুখীয়া শিৱদাসে যেতিয়া সেই ঔষধি-মণিৰে বণিজাৰ মণিকুন্ডলৰ জখম চকুৰ পচাৰতে ভাল কৰিলে, তেতিয়া শিৱদাসৰ সৈতে মণিকুন্ডলৰ বন্ধুতা অধিক গভীৰ হ'ল। মণিকুন্ডলে শিৱদাসক বহু ধৰণৰ বেপাৰ-বণিজৰ কিটিপ-কৌশল শিকাই-বুজাই দিলে, কোন কোন ঠাইত কি কি বস্তু-সামগ্ৰীৰ অধিক চাহিদা, ক'ৰ অধিবাসীসকলে কিবোৰ বস্তু বিচাৰে, সেইবোৰ অজান কথা জনালে। বণিজাৰ এজনে এইবোৰ কথাৰ সা-সন্তেদ জানিবলৈ বহু বছৰৰ অভিজ্ঞতাৰ কাৰণে ৰৈ থাকিব লাগে ; কিন্তু শিৱদাসে অতি সহজতে আৰু কম সময়তে জানিলে। কিন্তু বাণিজ্যৰ বাৰে-বতৰা জানিও শিৱদাস আত্মম্ভৰী বা অহংকাৰী হৈ নুঠিল, মণিকুন্ডলৰ বাধ্য শিষ্যৰ দৰেই চলি থাকিল।এইদৰে বহু দিন ধৰি শিকাই-বুজাই মণিকুন্ডলে শিৱদাসকো পূৰঠ জ্ঞানৰ বহল মনৰ এক সমুদ্ৰী-বণিজাৰ কৰি তুলিলে।

ৰজাই শিৱদাসক শাস্তি দিবৰ মনেৰে ৰাক্ষসদ্বীপলৈ পঠোৱাৰ পাছত প্ৰায় চাৰে চাৰি মাহ পাৰ হ'ল। সেই দ্বীপৰপৰা যিখিনি মণি-মুকুতা ধন-সোণ শিৱদাসে লৈ আহিছিল, সেইখিনিৰে সমুদ্ৰী-বেপাৰ কৰি কৰি সি তাৰ ধন-সোণৰ পৰিমাণ চাৰিগুণে বঢ়াই তুলিলে।

এদিন শিৱদাসে অতি ভক্তিপূৰ্বক তাৰ বেপাৰৰ গুৰু মণিকুন্ডলক এক মহা মূল্যৱান সামগ্ৰী উপহাৰ দিলে আৰু তেওঁক যথোপযুক্তভাৱে প্ৰণাম কৰাৰ অন্তত তেওঁলোকৰপৰা বিদায় প্ৰাৰ্থনা কৰিলে।

শিৱদাসক বিদায় দিয়াত মণিকুন্ডল বেদনাগধুৰ হৈ পৰিল, কিন্তু তথাপি বিদায় দিবলগা হ'ল, তেওঁলোকৰ নাও এৰি শিৱদাস গুচি গ'ল।

শিৱদাসে তাৰ দেশ পালেগৈ। ৰজাই তাক

প্ৰশান্ত মহন্ত

ছমাহলৈ সময় দিছিল, সেই ছমাহ পূৰ হ'বলৈ এতিয়া আৰু মুঠেই এমাহ আছেগৈ।

দুখীয়া শিৱদাস এতিয়া আৰু দুখীয়া হৈ থকা নাই, এতিয়া এদিনৰ দুখীয়া এজন ডাঙৰ বেপাৰী। শিৱদাসে ৰাজধানীত এটা অট্টালিকা কিনিলে আৰু সেই অট্টালিকা তাৰ মনে-খোৱা-মতে সজালে। আৰু তাৰ আলপৈচান ধৰাৰ বাবে কিছুমান বছা বছা চাই দাস-দাসীও মকৰল কৰিলে।

চাওঁতে চাওঁতে ৰজাই বান্ধি দিয়া ছমাহৰ শেষ দিন আহি পৰিল। শেষ দিনত—শিৱদাসে এক ডাঙৰ বণিজাৰৰ বেশ-ভূষা পিন্ধিলে আৰু মহাৰাজক যথোচিত উপহাৰ দিবলৈ বিভিন্ন ধৰণৰ বস্তু-সামগ্ৰী লগত লৈ ৰাজপ্ৰাসাদলৈ বুলি খোজ ল'লে।

ৰজাৰ ওচৰলৈ গৈ থকা শিৱদাসে ভাবি থাকিল ঃ ৰজাই বাৰু ইমানদিনৰ অন্ততো মোক চিনি পাবনে ? মোক চিনি নাপায় যদি — নিজেই নিজৰ চিনাকি দিব লাগিব। কিন্তু তেতিয়াৰ সেই দুখীয়াৰ ঠাইত এজন আঢ্যৱন্ত বণিজাৰক দেখা পাই তেওঁ—ময়েই সেই দুখীয়া বুলি তেওঁ বিশ্বাস কৰিবনে ?

কিন্তু ৰাজপ্ৰাসাদ পাই, মহাৰাজ বহুদিন ধৰি অসুস্থ হৈ থকাৰ কথা শুনি শিৱদাস হতাশ আৰু দুঃখিত হ'ল। মহাৰাজৰ পিঠিত হেনো এক মস্ত ডাঙৰ ফোঁহোৰা হৈছে, আৰু আনকি ৰাজবৈদ্যয়ো কেইবামাহো ধৰি চিকিৎসা কৰিও এই বিহ-ফোঁহোৰা নিৰাময় কৰিব পৰা নাই।

শিৱদাস তেতিয়াই পুনৰ তাৰ অট্টালিকালৈ উভতি গ'ল আৰু সেই ঔষধি-মণিডোখৰ লৈ পুনৰ ৰজাৰ প্ৰাসাদলৈ গ'ল। অতি আঢ্যৱন্ত বণিজাৰৰ দৰে সাজ-পোছাক পিন্ধি থকা হেতুকে আৰু বেজ বুলি চিনাকি দিয়াত ৰজাৰ কক্ষলৈ যাবলৈ শিৱদাসে মুঠেই



টান নাপালে, সহজভাৱে সোমাই গ'ল।

ৰজাৰ শয়নকক্ষ পাই মহাৰাজৰ অৱস্থালৈ চাই শিৱদাস বেদনাগধুৰ হৈ পৰিল। মহাৰাজ একেবাৰ নিশকতীয়া হৈ পৰিছিল। শিৱদাসে মনে মনে কৈ আছিলঃ হে ভগৱন্ত, তোমাৰ লীলা আমিনো কেনেকৈ বুজিম ? কেতিয়া কি হয়—তুমিহে জানা, তুমি বিনে জানন্তা নাই।

শিৱদাসে ৰুগ্ন-দুৰ্বল-মাতবোলও কৰিব নোৱৰা মহাৰাজৰ কাষ চাপিল আৰু সেই প্ৰকাণ্ড বিহ-ফোঁহোৰাটোক ঔষধি-মণিডোখৰেৰে স্পৰ্শ কৰিলে।

আৰু লগে লগে ইমান মাহ ধৰি কোনো বৈদ্য-বেজেও ভাল কৰিব নোৱৰা সেই বিহ-ফোঁহোৰা নিমিষতে মিলাই গ'ল, সেই প্ৰকাণ্ড বিহ-ফোঁহোৰাৰ সমূলি অস্তিত্ব নাথাকিল। আৰু সেই মুহূৰ্ততেই মহাৰাজৰ দুৰ্বল দেহ পুনৰ আগৰদৰেই সবল-সতেজ হৈ উঠিল। মহাৰাজ মুহূৰ্ততে পৰিপূৰ্ণভাৱে ব্যাধিমুক্ত হ'ল।

মহাৰাজৰ শয়নকক্ষতে বহি থকা মহাৰাণীয়ে আঁঠু কাঢ়ি বহি শিৱদাসক কৰযোৰে নমস্কাৰ কৰিলে।

পূৰ্ণসুস্থ মহাৰাজেও শয্যা এৰি নামি আহি শিৱদাসৰ হাত এখন তেওঁৰ দুয়োখন হাতেৰে ধৰি ক'লে, "হে মহানুভৱ, আপোনাক যদি মই মোৰ সৰ্বস্বও প্ৰদান কৰোঁ, তথাপি এই পুনৰ্জন্মৰ ঋণ পৰিশোধ নহ'ব। আপুনি সাক্ষাৎ ধন্বন্তৰী। আপোনাৰ পৰিচয় প্ৰদান কৰি মোক কৃতাৰ্থ কৰক।

শিৱদাসে মিচিকীয়াই হাঁহিলে আৰু মহাৰাজক ক'লে, "মহাৰাজ, আমি বহু আগৰেপৰাই পৰস্পৰক চিনি পাওঁ। এতেকে—নৰ-কৈ পৰিচয় প্ৰদানৰ কোনো আৱশ্যকতা নাই। আজিৰপৰা প্ৰায় সাত মাহমানৰ আগতে অপাৰ লীলাৱন্ত ভগৱন্তই

আমাক চিনাকি কৰাইছিল —।"

আৰু — 'ভগৱন্ত' শব্দটো শুনিয়েই মহাৰাজৰ মনত পৰিল সেই দুখীয়াক—যিজন দুখীয়াক তেওঁ ৰাক্ষসদ্বীপলৈ নির্বাসনলৈ পঠাইছিল। এইবাৰ তেওঁ জাকজমকীয়া সাজ-পাৰ পিন্ধা শিৱদাসক চিনি পালে আৰু অবাক-বিস্ময়ত ক'লে, "তুমি—"

"হয়, মহাৰাজ, মই — ময়েই সেই দুখীয়া। মোৰ আজিৰ এই সুসম্পন্ন অৱস্থাৰ গুৰিতো সেইজনা ভগৱন্ত, আৰু আপুনি। আজিৰ দিনটো আপুনি খাই-বৈ বিশ্ৰাম কৰক, কালিলৈ আপোনাক সেই সাগৰে-আগুৰা নিবল-নির্জন ৰাক্ষসদ্বীপৰ বৃত্তান্ত ক'মহি।"

পাছদিনা, মহাৰাজে তেওঁৰ অনুচৰ এজনক পঠিয়াই শিৱদাসক মতাই আনিছিল, আৰু শিৱদাসৰপৰা ৰাক্ষসদ্বীপৰ ঘটনাৱলী অপাৰ বিস্ময়েৰে সৈতে শুনিছিল।

কোৱাৰ অন্তত শিৱদাসে মন্তব্য কৰিছিল, "মহাৰাজ, মানুহত শক্তিনাই বুলি মই নকওঁ, কিন্তু ভগৱন্তৰ শকতি মানুহতকৈ ভালেখিনি উচ্চ। পঞ্চভূতেৰে সৃষ্ট মানুহ, কিন্তু মানুহৰ সৃষ্টিকর্তা কিছুখিনি হ'লেও—মানুহতকৈ উচ্চ—এই কথাত নিশ্চয় আপুনিও একমত হ'ব। মানুহে যদি মাত্র ধর্ম আচৰে, ধর্মৰ বাটেৰে বিচৰে, ভগৱন্তই নিশ্চয় উন্নতিৰ সেন্দুৰীয়া আলি পোৱাবলৈ সহায় কৰিব—এই বিশ্বাসত মই আজিও অটল। আপুনি মোক ৰাক্ষসদ্বীপলৈ পঠিয়াই মৃত্যুৰ সন্মুখীন কৰিবলৈ মন মেলিছিল, কিন্তু ভগৱন্তৰ ক্রোধৰ সন্মুখীন হৈ নিজেই মৃত্যুৰ সন্মুখীন হৈছিল যে — এই কথা অস্বীকাৰ কৰিবনে? ৰজাই মাৰে, সমুদ্রে বুৰায়; কিন্তু ভগৱন্তই যে মহাদুর্ভাগ্যকো সৌভাগ্যলৈ সলায়—নিজ চকুৰে চায়ো নামানিবনে? নামানিবনে যে — যদি ৰাখে ভগৱন্ত, মাৰে কোনে?"

মহাৰাজে পৰিপূর্ণ মনোযোগৰে শিৱদাসৰ কথাখিনি শুনি আছিল। এইবাৰ তেওঁ কৰযোৰে শ্রদ্ধাৰে কৈ থাকিলঃ

"মোৰ এই নমস্কাৰ প্রথমে ভগৱন্তলৈ, আৰু পাছত— অপাৰ লীলাৱন্ত ভগৱন্ত যে প্রকৃততেই ভক্তবৈশ্য — তাৰ দেখ দেখ প্রমাণ তোমালৈ।" এই বুলি কৈ, মহাৰাজে আঁঠু কাঢ়ি বহি, চকুযুৰি মুদি, ভক্তবৈশ্য ভগৱন্তক সুঁৱৰি অপাৰ শান্তি লভিলে। [অন্ত

সোণালী দুৱাৰ – ১৫

ক'তবা.....

চান্দমামা

১. ...টিকালৰ বিস্ময়কৰ মন্দিৰ?

কোনোবিধৰ যান-বাহনেৰে কঢ়িয়াই ননা শিলেৰে সজা পিৰামিডীয় মন্দিৰ। এইবোৰ মন্দিৰ সুপ্ৰাচীনকালৰ *মায়া* জাতিৰ মানুহে সাজিছিল।



মায়া লোকসকল আছিল সেই কালৰ জ্ঞানী জ্যোতিৰ্বিদ আৰু গণিতশাস্ত্ৰবিদ। ২৫০—৯০০ খৃষ্টাব্দলৈকে মায়া-সভ্যতাৰ অস্তিত্ব আছিল।

২. ...এখং গাঁও — য'ত ছেপটিমবাৰ আৰু অকট'বাৰ মাহত চৰাইবোৰে ৰহস্যময় আচৰণ কৰে?

প্ৰতি বছৰ ছেপটিমবাৰ-অকট'বাৰৰ কুঁৱলীভৰা ৰাতিৰ পৰতে চৰাইবোৰে পোহৰ থকা ঠাইলৈ উৰি আহি নিজে নিজেই থেকেচা খাই পৰেহি, আৰু এইদৰে সিহঁতৰ সৰহভাগেই মৰেহি। যিবোৰ নমৰে, সিবোৰ আচ্ছন্নৰ দৰে পৰি থাকে আৰু ৰাইজে সিবোৰক সহজেই ধৰি লৈ যায়। প্ৰাণী-বিজ্ঞানীসকলে বহু ধৰণে চালি-জাৰি চায়ো চৰাইবিলাকৰ এই ৰহস্যময় আত্মঘাতী আচৰণৰ কোনো প্ৰমাণিত ব্যাখ্যা আজিপৰ্যন্ত দাঙি ধৰিব পৰা নাই।

৩. ...দুখন মহাদেশলৈ বিয়পা নগৰ?

সুপ্ৰাচীন মধ্যযুগত বাইজেনটিয়াম আৰু কনস্টান্টিন'পলত এই নগৰখন ইউৰোপ আৰু এছিয়াতো বিয়পি আছিল। এতিয়া এইখন নগৰ ইউৰোপৰ এখন ইছলামীয় দেশৰ ৰাজধানী।

চিত্ৰ-সাঁথৰ

এই সামুদ্ৰিক প্ৰাণীবিলাকক চিনাক্ত কৰাঁ.....



ফন্দে-ফান্দে

হোৱাঁ তুমি ডিটেকটিভ

শ্ৰেঠ গোকুলদাসৰ বঙলাত চুৰি হ'ল। চুৰি হ'ল—১৪০০০০ টকামান মূল্যৰ বা তাতোকৈ অধিক মূল্যৰ বস্তু-সামগ্ৰী। এইখন চুবুৰীত তিনিমাহৰ ভিতৰত এয়া পঞ্চম চুৰি। বঙলাৰ কাচৰ খিৰিকী ভাঙি চুৰি হ'ল। আন চুৰিবিলাকো একেই কৌশলেৰে কৰা হৈছিল। দাৰোগাই যেতিয়া ভগা কাচৰ টুকুৰাবোৰ পৰীক্ষা কৰি আছিল, তেতিয়া শ্ৰেঠজীৰ ঘৰৰ পহৰীয়া মানুহজন দাৰোগাৰ কাষত থিয় হ'লহি।

"মই কোনো সামান্য শব্দও শুনা নাছিলোঁ—" পহৰীয়াই দাৰোগা চাহাবক ক'লে, "চোৰটোৱে—যেতিয়া এক্সপ্ৰেছ গাড়ীখনে কাণতাল মৰা শব্দ উঠাই বিৰাট-বিকট শব্দেৰে গুচি যায়—তেতিয়াই নিশ্চয় চোৰটোৱে কাচৰ খিৰিকীখন ভাঙিছিল। আন যিবোৰ ঘৰত চুৰি হৈছিল—বোধকৰোঁ একেই কৌশলৰে কৰিছিল আৰু এই মাজনিশাতে—যেতিয়া এক্সপ্ৰেছ ট্ৰেইনখন যায়—তেতিয়াই কৰিছিল নিশ্চয়।"

"এই গভইত চোৰটোৱে কোনোবা সাৰে আছেনে টোপনিত লাল-কাল দিছে—সেই কথালৈ কোনো চিন্তা কৰা নাছিল—" দাৰোগাই পহৰীয়াটোলৈ কেৰেচীয়াকৈ চাই ক'লে, "এতিয়া কথা হ'ল—তুমি এইবোৰ মাল-মতং ক'ত লুকুৱাই থৈছা—কৈ দিয়া।"

পহৰীয়াটোৱে ভয়ৰ চোটত ভেঁকৈ কান্দি পেলালে আৰু তাৰ চুৰিৰ কথা স্বীকাৰ কৰিলে। কিন্তু সেই বঙলাখনৰ পহৰীয়াটোৱেই যে চোৰটো—দাৰোগাই বাৰু কেনেকৈনো জানিলে ?

১. তিনিটা চাহৰ পিয়লাত ছটা চেনি-গোট (ছুগাৰ কিউব) বিযুৰীয়াকৈ ৰাখিব লাগে। কিন্তু চেনি-গোটবিলাক গোটাগোটেই থাকিব, টুকুৰা কৰিলে নহ'ব। কেনেকৈনো কৰিব পাৰি ?

মন-জিয়নি মূৰ-ঘূৰণি

২. তোমাৰ খুড়াকৰ ভনীয়েক যদি তোমাৰ মাহীয়েক নহয়, তেওঁনো তোমাৰ কোন ?

৩. কলতেল ওলায় ঃ

- কয়লাৰপৰা
- চেনিৰপৰা
- কলৰপৰা

৪. এটা সজাৰ ভিতৰত তুমি কিমান বান্দৰক ভৰাব পাৰা ?

৫. চৰাইবোৰে সদায় দখিণমূৰা হৈ উৰে কিয় ?

৬. এটা ঘড়িয়ে দিনৌ মাত্ৰ দুবাৰকৈ সঠিক সময় দিয়ে, কিন্তু দিনৰ আন সময়ত ভুল সময় দিয়ে। এই ঘড়ি কি ঘড়ি ?

কাম্মিলা

কণী-খোলাৰে কাগজ-হেঁচনি

কণীৰ গোটা খোলা এটা ভালকৈ চাফা কৰি লোৱা আৰু তাৰ ভিতৰত প্লাস্টাৰ অব্ পাৰিছৰ লুথুৰি ভৰাই কণীৰ খোলাৰ নভঙা মূৰ ওপৰমুৱাকৈ থৈ দিয়া। প্লাস্টাৰ অব্ পাৰিছৰ সেই লুথুৰিখিনি যেতিয়া শুকাই টান হ'ব, তেতিয়া কণীৰ খোলাটোৰ গাত তোমাৰ মনে-খোৱা পছন-হোৱা ৰং সানি দিয়া।

বছ, তোমাৰ কাগজ-হেঁচনি — পেপাৰওৱেট হৈ গ'ল।



উট চৰাই !



সোণালী দুৱাৰ-১৪-ৰ-উত্তৰ

পৃথিৱীৰ ক'ত

১. ডোভাৰ, ইংল্যাণ্ডত।
২. পটনা, বিহাৰত।
৩. মামায়েভ পাহাৰৰ টিঙত, স্ট্যালিনগ্ৰাডত।
৪. ক্যাপ্পাদিছিয়া, পূব-তুৰস্কত।
৫. ক্ৰুগাৰ ন্যাশ্যনাল পাৰ্ক, দক্ষিণ আফ্ৰিকাত।

চিত্ৰ-চাতুৰী

১. আন মুখখন হ'ল এগৰাকী বুঢ়ী মানুহৰ মুখ। চিত্ৰত থকা ছোৱালীজনীৰ গালেৰে বুঢ়ী মানুহজনীৰ নাক আৰু ডিঙিত মেৰিয়াই থকা ফিতাৰে বুঢ়ীৰ মুখ চিত্ৰিত কৰা হৈছে।
২. চকাৰ স্পোকবোৰ দেখ দেখকৈয়েই আছে। বেগাই গৈ থকা ছাইকেলৰ চকাৰ স্পোকবোৰ প্ৰায় অদৃশ্য বস্তুলৈ ৰূপান্তৰিত হয়।

গল্প-চাতুৰী

সম্ৰাট অশোকৰ ৰাজত্বকালত ভাৰতবৰ্ষত মধুৰিআম নাছিল। বহু দিনৰ পাছত ইউৰোপীয় সকলে মধুৰিআম ইয়ালৈ লৈ আহিছিল।

ঘূৰে মূৰ-সৰে ঘাম

১.

২. নহয়।

৩. ক) ব্যাছিলিস্ক
খ) ড্ৰাগন
গ) ফিনিক্স
ঘ) ইউনিকৰ্ণ

৪. মোহনে ৰঙা ৰঙৰ টুপি পিন্ধিছিল। বিনয়ৰ টুপিৰ বৰণৰঙা হোৱাহেঁতেন ৰামনে সেই কথা নিশ্চয় ক'লেহেঁতেন।

মহাভাৰত

৩৮

“ভাতৃসকল — ” ধৰ্মৰাজে তেওঁৰ ভাতৃসকলক সম্বোধি ক'লে, “আমাৰ অজ্ঞাতবাসৰ দিন আগতপ্ৰায়। অজ্ঞাতবাসৰ দিনবোৰ অতিশয় সতৰ্কতাৰে অতিবাহিত কৰিব লাগিব। আমি কোন—কোনেও তাৰ অণুমাত্ৰ ধাৰণাও কৰিব পাৰিলেই আমাক বিপদে আগুৰি ধৰিব। এতিয়া কোৱাঁ, অজ্ঞাতবাসৰ বৎসৰটো আমি কোনখন দেশত অতিবাহিত কৰিম।”

ধৰ্মৰাজৰ কথাত সকলো পাণ্ডৱ চিন্তান্বিষ্ট হৈ পৰিল। কোনো এজনেও লগে লগে উত্তৰ দিব নোৱাৰিলে। কিয়নো—তেওঁলোক—পাণ্ডৱসকল দি বেশত য'লৈকে নাযাওক—দুই-চাৰিয়ে যে তেওঁলোকৰো দুই-চাৰিক চিনি পাবৰ প্ৰবল সম্ভাৱনা—সেই কথাত কোনো এজনৰ মনতো সন্দেহ নাছিল। এতেকে—ধৰ্মৰাজৰ প্ৰশ্নৰ পোনপটীয়াকৈ উত্তৰ দিবলৈ তেওঁলোকে টান পাইছিল।

ধৰ্মৰাজেই পুনৰ ক'লে, “মনে মনে থাকিলেই বিপদে আমাৰ পিছ নেৰিব, বা এই প্ৰকট সমস্যাৰ সমাধানো নহ'ব। প্ৰত্যেকেই যদি খোলাখুলিকৈ নিজ-নিজ অভিমত দাঙি ধৰাঁ—তেতিয়া হয়তো কিবা উপায় ওলাব।”

“পঞ্চাল, চেদি, মৎস্য, শূৰসেন, পটচ্চৰ, বীশাৰ্ন, সুৰাষ্ট্ৰ, নৱৰাষ্ট্ৰ, সাল্ব, মল্ল, যুগন্ধৰ, অৱন্তী আদি দেশ — অতি সুসমৃদ্ধ-সুশাসিত দেশ। এইসকল দেশৰ প্ৰজাবৰ্গ সুখী। এইবোৰ দেশত হামাৰভাৱে শস্যাদি ওপজে, আৰু দেশসমূহৰ সামাজিক বিধি-বন্দৰস্তও উত্তম। এইসকল দেশৰ যিকোনো দেশ এখনত আদি আমাৰ অজ্ঞাতবাসৰ কালছোৱা হয়তো অতিবাহিত কৰিব পাৰোঁ।

‘অজ্ঞাতবাস-কথা’

আৰু—ধৰ্মদেৱতায়ো আমালৈ আশীৰ্বাদ-অনুগ্ৰহ প্ৰদানিছে । গতিকে আমাৰ অজ্ঞাতবাসত কোনো অপায়-অমঙ্গল নহ'ব।" অৰ্জুনে অভিমত দিলে।

"মৎস্যদেশৰ শাসক বিৰাট ধৰ্মশীল ৰজা, আৰু তেওঁ আমাৰ শুভ-চিন্তক। আমি তাতেই এটি বৎসৰ অতিবাহিত কৰিব পাৰিম। কিন্তু আমি কি কি পৰিচয়ত তালৈ যাম—অৰ্থাৎ কিৰূপ জীৱিকাধাৰী হৈ তালৈ যাম — কিৰূপ বৃত্তি গ্ৰহণ কৰিম — তাৰ সিদ্ধান্ত লোৱা আৱশ্যক।" ধৰ্মৰাজে ক'লে।

পুনৰ ধৰ্মৰাজেই ক'লে, "মই ব্ৰাহ্মণৰ বেশ ধাৰণ কৰিম। মোৰ নাম হ'ব কঙ্ক। মই এজন ব্ৰাহ্মণ পুৰোহিতৰূপে বিৰাটৰজাৰ ৰাজসভালৈ প্ৰবেশ কৰিম আৰু যদি তেওঁ মোৰ পূৰ্ব-পৰিচয় জিজ্ঞাসা কৰে, তেনেহ'লে মই নিজক ধৰ্মৰাজৰ এগৰাকী নিকট-মিত্ৰ বুলি তেওঁক ক'ম।"

ধৰ্মৰাজৰ প্ৰস্তাৱ শুনি কোনেও কোনো ধৰণৰ মন্তব্য নকৰিলে। প্ৰতিজন পান্ডৱেই গভীৰ অভিনিবেশ সহকাৰে অনাগত ভৱিষ্যতৰ কথা ভাবিবলৈ ধৰিলে। অজ্ঞাতবাস যে বনবাসতকৈ অধিকতৰো অধিক কষ্টকৰ আৰু ভয়ংকৰ—সেই কথা প্ৰতিজনেই পৰিষ্কাৰ ৰূপে উপলব্ধি কৰিব পাৰিলে আৰু তাৰ ফলত এইবাৰো ধৰ্মৰাজৰ কথাৰ উত্তৰত কোনেও কোনো মন্তব্য কৰিব নোৱাৰিলে। তাৰ পাছত ভীমে মূৰ দাঙি ধৰ্মৰাজলৈ চালে।

ভীমে কৈ থাকিল, "মই ৰন্ধনকাৰ্য্যত সিদ্ধহস্ত। মোৰ নাম হ'ব বল্লভ। মই অতি উপাদেয় পদ-পদাৰ্থ ৰন্ধন কৰি বিৰাটৰজাক খুৱাই তৃপ্ত কৰিব পাৰিম। তদুপৰি, আন কাৰোবাৰ সহায়তালৈ ৰৈ নাথাকি নিজেই হাবিৰপৰা খৰি বুটলি কঢ়িয়াই আনিব পাৰিম। তেওঁ অৰ্থাৎ—বিৰাট ৰজাই যদি *মোৰ পূৰ্ব-পৰিচয় সোধে—মই ধৰ্মৰাজৰ* সেৱক হৈ আছিলোঁ বুলি ক'ম।"

অৰ্জুনে ক'লে, "মোক উৰ্বশীয়ে যে নপুংসক হোৱাৰ অভিসম্পত দিছিল, এহিকালতে—অজ্ঞাতবাসকালতে—সেই অভিসম্পাতে গুণ দিব। মোৰ নাম হ'ব বৃহন্নলা। দুয়োখন হস্তৰ বাহুৰপৰা

মণিবন্ধলৈকে মই খাৰু পিন্ধিম আৰু নাৰীৰ বেশত নাচি-গাই বিশেষকৈ নাৰীসকলৰ মনোৰঞ্জন কৰিম। বিৰাটৰজাই মোৰ পূৰ্ব-পৰিচয় জিজ্ঞাসা কৰে যদি — মই দ্ৰৌপদীৰ সেৱক হৈ আছিলোঁ বুলি ক'ম।"

"মোৰ নাম হওক—দাসগ্ৰন্থি। মই বিৰাট ৰজাৰ অশ্বশালৰ প্ৰশিক্ষকৰ কাম ল'ম। অশ্বৰ বেমাৰৰ উত্তম বেজালি কৰাত মই দক্ষ, এতেকে—মোৰ কৰ্মপ্ৰাপ্তিত কোনো অসুবিধা নহ'ব। ৰজাই সুধিলে—আগতে মই ধৰ্মৰাজৰ অশ্বশালাৰ অধিকাৰী হৈ আছিলোঁ—এহি কথাকে ক'ম।" নকুলে ধৰ্মৰাজক ক'লে।

"মই—তন্ত্ৰীপাল নামেৰে বিৰাট ৰজাৰ গাভীকুলক চন্তালিম। এই কাৰ্য্যত মই অভিজ্ঞ তথা দক্ষ যে—জানেই। গাভীকুলৰ বিষয়ে মই নজনা কোনো বিষয় নাই। এতেকে—এই কৰ্ম লাভ কৰাত মোৰ কোনো অসুবিধা নহ'ব।" সহদেৱে ক'লে।

ধৰ্মৰাজে তেতিয়া ভাবিলে ঃ দ্ৰৌপদীৰ কি হ'ব ? দ্ৰৌপদীয়ে বিৰাট ৰজাৰ তাত কি কাৰ্য্য কৰিব ? কি কাম পাব ?

ধৰ্মৰাজৰ মনৰ থৌ-বাথৌ দ্ৰৌপদীয়ে উমানতে গমিলে। ধৰ্মৰাজে যে এই কথাত গভীৰ চিন্তাত ডুব দিলে—সেই কথা ধৰ্মৰাজৰ মুহ্যমানতাতে প্ৰকাশমান। দ্ৰৌপদীয়ে কিবা ক'বলৈ মুখ মেলিও ৰৈ দিলে। কিন্তু পাছ মুহূৰ্ততে দ্বিধা-দ্বন্দ্ব জোকাৰি পেলালে।

ধৰ্মৰাজৰ শংকা দ্ৰৌপদীয়েই দূৰ কৰিলে। দ্ৰৌপদীয়ে ধৰ্মৰাজক ক'লে, "আপুনি মোৰ কথা ভাবি চিন্তাগ্ৰস্ত নহওক। মই বিৰাট ৰজাৰ অন্তোপুৰত লিগিৰীৰ কাৰ্য্য কৰিম। মই কেশচৰ্য্যাৰ বিষয়টো ভালকৈ শিক্ষা কৰিছিলোঁ, এইবাৰ সেই শিক্ষা কামত খটুৱাম। কেশচৰ্য্যা-কেশালঙ্কাৰ হ'ল এক অতি প্ৰয়োজনীয় আৰু আদৰণীয় শিল্পচৰ্চা।"

ভাতৃসকলৰ আৰু দ্ৰৌপদীৰো প্ৰস্তাৱত ধৰ্মৰাজে পৰিতুষ্ট বোধ কৰিলে। ধৰ্মৰাজে ধৌম্য, সূত আৰু অন্যান্যকো দ্ৰুপদৰ তাতে থাকিবলৈ ক'লে। আৰু—ইন্দ্ৰসেন প্ৰমুখ অন্য অন্য মন্ত্ৰীক ৰথৰে সৈতে দ্বাৰকালৈ যাবলৈ নিৰ্দেশ প্ৰদান কৰিলে। তেওঁ



সকলোকে এই বুলি সাৱধান কৰিলে যে পান্ডৱৰ কি হ'ল-নহ'ল, পান্ডৱসকল ক'লৈ গ'ল-নগ'ল—কোনেও একো নাজানে বুলি কয় যেন।

তাৰ পাছত—সকলোটি নিজ-নিজ লক্ষ্যস্থললৈ ওলাবলৈ সাজু হ'ল। পৰস্পৰৰপৰা বিদায় লৈ, দ্বৈতবন পাৰ হৈ, তেওঁলোকে মৎস্যদেশাভিমুখে আগবাঢ়ি-বাঢ়ি থাকিল।

আৰু—বন, পৰ্বত, নদী আদি বিভিন্ন বাধা অতিক্ৰমি একে একে আটাইকেইজনেই মৎস্যদেশ পালেগৈ।

মৎস্যদেশ পাই—সকলোটিয়েই নিজ-নিজ আয়ুধ—অস্ত্ৰ-শস্ত্ৰ গভীৰ অৰণ্যত গাঁত খান্দি পুতি থ'লে। কিয়নো—অস্ত্ৰ-শস্ত্ৰৰে সৈতে অজ্ঞাতবাস সম্ভৱ নহয়। ভীমৰ গদা বা অৰ্জুনৰ গান্ডীৱেই পান্ডৱৰ পক্ষে বিৰাট চিনাকি যে—তেওঁলোক প্ৰকৃততে কোন।

অস্ত্ৰ-শস্ত্ৰ সুৰক্ষিতভাৱে পুতি থোৱাৰ অন্তত ধৰ্মৰাজে এঠাইত বৈ দেৱী-দুৰ্গালৈ সুঁৱৰিলে আৰু প্ৰাৰ্থনা জ্ঞাপিলেঃ "হে আই, আমি এতিয়া তোমাৰ শৰণ লৈছোঁ। তুমি আমাক ৰক্ষা কৰাঁ, আমাৰ প্ৰতি কৃপাদৃষ্টি নিক্ষেপ কৰাঁ, আই আমাৰ!"

দেৱী দুৰ্গা তৎমুহূৰ্ততেই তালৈ আৱিৰ্ভূতা হ'ল আৰু ধৰ্মৰাজক ক'লে, "নিকট-ভৱিষ্যতত তুমি যুদ্ধত বিজয়ী হ'বা। তোমাৰ আৰু তোমালোকৰ মংগল হ'ব।" এই বুলি আশীৰ্বাদ প্ৰদান কৰি দেৱীদুৰ্গা তৎক্ষণাৎ অন্তৰ্হিতা হ'ল।

তাৰ পাছত ধৰ্মৰাজে নৈত স্নান কৰিলে আৰু ধৰ্মদেৱতালৈ কৰ যুৰি প্ৰাৰ্থনা জনালে, "হে ধৰ্ম-দেৱতা! তুমি যক্ষ ৰূপে মোক যি বৰ-প্ৰদানৰ অংগীকাৰ কৰিছিলা, এতিয়া মই তোমাৰপৰা কায়মনোবাক্যে সেই বৰ প্ৰাৰ্থনা কৰিছোঁ।"

আৰু ঠিক তৎমুহূৰ্ততেই তাত এক বিচিত্ৰ ঘটনা ঘটিল।

ধৰ্মৰাজক গৈৰিক-বসনাবৃত হৈ থকা দেখা গ'ল। তেওঁৰ হাতত আছিল কমন্ডলু। অন্যান্য পান্ডৱৰ বাবে এই বেশ-বাসৰ সামগ্ৰী তাত দেখা গ'ল। প্ৰতিজন পান্ডৱেই নিজ-

নিজ সামগ্ৰী ল'লে আৰু যেৱে যি কাৰ্য্য কৰিব বুলি মনস্থ কৰিছিল, সেই কাৰ্য্যানুৰূপ বস্ত্ৰাদি পিন্ধি-উৰি নিজ-নিজ কাৰ্য্য-সাধনৰ বাবে বিৰাট ৰজাৰ ওচৰলৈ বুলি খোজ বঢ়ালে।

ধৰ্মৰাজে সন্ন্যাসীৰ বেশত বিৰাটৰজাৰ ৰাজসভা পালেগৈ। যদিও সন্ন্যাসীৰ বেশ, তথাপি তেওঁৰ মুখমণ্ডলৰ জ্যোতি-দ্যুতি দৰ্শন কৰি বিৰাটৰজা হতপ্ৰভ হৈ পৰিল। কিয়নো—এই সন্ন্যাসীৰ মুখমণ্ডলত ৰাজচক্ৰৱৰ্তীৰ চিন প্ৰকাশিত হৈছিল।

বিৰাটৰজাৰ কাষ চাপি আহি ধৰ্মৰাজে ক'লে, "ৰাজন্! মই মোৰ সৰ্বস্ব হেৰুৱাই সাময়িক আশ্ৰয়ৰ আশাৰে আপোনাৰ কাষ চাপিছোঁ। মই বৈয়াধৃপদ গোত্ৰসম্ভূত, মোৰ নাম কঙ্ক। আগতে মই ধৰ্মৰাজৰ ওচৰত কৰ্মনিযুক্ত হৈ আছিলোঁ। এতিয়া তেওঁ ক'ত আছে কি হ'ল—একোকে মই জ্ঞাত নহওঁ। সেইহে আপোনাৰ সমীপলৈ আহিলোঁ।"

বিৰাটৰজাই সানন্দে সন্ন্যাসীৰূপী ধৰ্মৰাজক আশ্ৰয় প্ৰদান কৰিলে।

অলপ সময়ৰ পাছত কৃষ্ণবস্ত্ৰ পৰিহিত ভীম বিৰাট ৰজাৰ কাষ চাপিল। ভীমে বিৰাট ৰজাক ক'লে, "মোৰ নাম বল্লভ। মোক যদি আপোনাৰ অধীনত আপোনাৰ ৰান্ধনিশালত নিযুক্তি দিয়ে—মই তৰহে তৰহে অতি উপাদেয় খাদ্যবস্তু আপোনাক ৰান্ধি খুৱাম।"

"কিন্তু তোমাক ৰান্ধনি মানুহ যেন নালাগে দেখোন—।" ৰজা বিৰাটে ক'লে।

"মই যে ৰন্ধন-বিদ্যাত কিমান পটু, সেই কথা ধৰ্মৰাজে জানিছিল। আৰু—লগতে বল-শক্তিতো মই যথেষ্ট খ্যাতিস্ত। আপোনাৰ মনোৰঞ্জনাৰ্থে আপুনি যদি ব্যাঘ্ৰ-হস্তী-সিংহৰ সৈতে মোক যুঁজিবলৈ কয়—মই আপোনাক পৰিতুষ্ট কৰিব পাৰিম আৰু দেখুৱাব পাৰিম



যে মই প্ৰকৃতাৰ্থতে বলশালী।"

বিৰাট ৰজাই ক'লে, "ঠিক হ্যায়, তুমি পোনতে আমাৰ ৰন্ধনকাৰ্য্যৰ দায়িত্বকে লোৱাচোন, পাছত তোমাৰ বল-শক্তিৰ প্ৰমাণ ল'ম কেতিয়াবা।" এই বুলি কৈ, ৰজাই ভীমকে ৰান্ধনিশাললৈ পঠাই দিলে।

দ্ৰৌপদীয়ে ফটা-ছিঙা বস্ত্ৰাদি পিন্ধি-উৰি ৰাজপ্ৰাসাদৰ আশে-কাষে ধীৰ-মন্থৰ খোজেৰে ঘূৰি-ফুৰি আছিল। কেইজনীমান তিৰোতাই দ্ৰৌপদীক সুধিছিল, "তুমি কোন—? তুমি ক'লৈ যাবানো?"

দ্ৰৌপদীয়ে তেওঁলোকক ক'লে, "মই দাসীবৃত্তিৰ কাম বিচাৰি ওলাইছোঁ। মোক যদি কোনোবাই-কোনোবাজনীয়ে দাসীৰূপে আশ্ৰয় দিয়ে, মই তেওঁৰ বা তেওঁলোকৰ যথোচিত সেৱা-যত্ন কৰিব পাৰিম।"

ৰাজপ্ৰাসাদৰ বাৰান্দাত বহি থকা মহাৰাণী সুদেষ্ণাই এই কথা শুনি দ্ৰৌপদীক তেওঁৰ ওচৰলৈ মতাই অনালে আৰু সুধিলে, "তুমি কোন? তুমি কি কাম কৰাঁ?"

"দেৱী, মই মালিন। মই কেশচৰ্য্যা তথা কেশালঙ্কাৰত নিপুণ্য—সেই কথা দ্ৰৌপদীয়ে জানিছিল, আৰু কৃষ্ণ-পত্নী সত্যভামায়ো জানিছিল।" দ্ৰৌপদীয়ে মহাৰাণী সুদেষ্ণাক ক'লে।

"তুমি দেখাত ইমানেই মহাৰূপময়ী যে পুৰুষৰ কথা বাদেই—আনকি নাৰীসকলেও তোমাৰ প্ৰতি আকৰ্ষণ বোধ নকৰাকৈ নাথাকে। গতিকে — গতিকে — তোমাক লিগিৰী হিচাপে ল'লেও বিপদ যে নহ'বই তাৰ কোনো নিশ্চয়তা নাই।" মহাৰাণীয়ে ক'লে।

"মহাৰাণী, কোনেও মোৰ কোনো অনিষ্ট কৰিব নোৱাৰে, আৰু ময়ো কাৰো অনিষ্ট কৰিব নোৱাৰোঁ। মহাবলশালী পঞ্চগন্ধৰ্ব ৰাজকোঁৱৰ হ'ল মোৰ পতি। তেওঁলোকৰ সতৰ্ক দৃষ্টি সদা-সৰ্বক্ষণেই মোৰ ওপৰত বিদ্যমান। এতেকে—মোৰপৰা কোনো অনিষ্ট হোৱাৰ ভয় নকৰিব। মোক কেশালঙ্কাৰৰ তথা কেশপৰিচৰ্য্যাৰ কাৰ্যত লৈ চাওক—কিমান সুচাৰুৰূপে মই এই কাৰ্য্য কৰোঁ।" দ্ৰৌপদীয়ে অভাৰিত বাক্চাতুৰ্য্যৰে মহাৰাণী সুদেষ্ণাক ক'লে।

অতঃপৰ মহাৰাণী সুদেষ্ণাই দ্ৰৌপদীক কেশদাম পৰিচৰ্য্যাৰ কাৰ্য্যৰ বাবে তেতিয়াই নিযুক্ত কৰিলে।

তাৰ পাছত ৰক্তবৰ্ণ বস্ত্ৰ পৰিধান কৰি বৃহন্নলা-ৰূপী অৰ্জুন বিৰাট ৰজাৰ কাষ চাপিল। পৰিপূৰ্ণ ৰাজসভাত দণ্ডায়মান হৈ বৃহন্নলাৰূপী অৰ্জুনে বিৰাটৰজাক ক'লে, "হে ৰাজন্, মোৰ নাম বৃহন্নলা। নাট্যকলাত আৰু নৃত্যকলাতো মোৰ নিপুণতা বহুজনবিদিত।"

বিৰাট ৰজাই বৃহন্নালাৰূপী অৰ্জুনলৈ স্থিৰ দৃষ্টিৰে চাই ক'লে, "কিন্তু তোমাৰ দীৰ্ঘ-প্ৰলম্বিত হস্ত, আয়ত চক্ষু আদিলৈ চাই তোমাক ধনুৰ্ধৰ যেনহে লাগিছে।"

"নহয়, মহাৰাজ, ধনু যে দেখাত কেনেকুৱা—আনকি তাকো মই নজন। বীণা, মৃদঙ্গ আদি মই দক্ষতাৰে বজাব পাৰোঁ।" বৃহন্নলাৰূপী অৰ্জুনে বিৰাটৰজাক ক'লে।

বিৰাট ৰজাই তেওঁৰ পুত্ৰী উত্তৰাক মতাই অনালে আৰু ক'লে, "পুত্ৰী, এই বৃহন্নলাক অন্তেষপুৰলৈ লৈ যোৱা, আৰু এইৰপৰা নৃত্যধাৰা শিকি লোৱাঁ।"

কিছু সময়ৰ অন্তত ছদ্মবেশী নকুলো ৰাজসভালৈ আহিল, আৰু বিৰাটৰজাৰ অশ্বশালাৰ অধিকাৰীৰ পদত নিযুক্তি পালে।

সহদেৱে সাইলাখ গুৱলৰ ভেশ লৈ ৰজাৰ কাষ চাপিল আৰু ৰজাক কৈ থাকিল, "মহাৰাজ, মই গাভীকুলৰ বিষয় সবিশেষ অভিজ্ঞতা আৰ্জিছোঁ। গাভীকুলক মই পীড়া-মুক্ত কৰিব পাৰোঁ, গাভীক অধিক দুগ্ধৱতী কৰি তুলিব পাৰোঁ। এসময়ত মই ধৰ্মৰাজৰ সহস্ৰ গাভীৰ অধিকাৰীৰূপে দক্ষতাৰে তথা বিশ্বস্ততাৰে কাৰ্য্য কৰিছিলোঁ। মই হ'লো—অষ্টনেমি বংশৰ বৈশ্য। মোক সকলোটিয়েই তন্ত্ৰীপাল বুলি মাতে।"

বিৰাট ৰজাই সহদেৱৰ কথাত পতিয়ন গৈ সহদেৱক তেওঁৰ গাভীকুলৰ চোৱা-চিতাৰ কাৰ্য্যত নিযুক্তি দিলে।

আৰু এইদৰে পঞ্চ পাণ্ডৱ আৰু দ্ৰৌপদীয়েও বিৰাট ৰজাৰ ওচৰত কৰ্মসংস্থান লভি অজ্ঞাতবাসৰ কালাৰম্ভ কৰিলে। [আগলৈ



চান্দমামাৰ সম্বাদ-বি-সম্বাদ

ভাৰতীয় শিশুসকলৰ ভৱিষ্যতৰ বাবে...

জাৰ্মানিত কিছুসংখ্যক মানুহে *'আইকাছ'* (ICUS) নামৰ এখন অনুষ্ঠান স্থাপন কৰিলে। জাৰ্মান-ভাষাত এই নামৰ অৰ্থ হ'ল 'ভাৰতীয় শিশুসকলৰ উজ্জ্বল ভৱিষ্যতৰ বাবে'। গেৰহাৰ্ড নামৰ এগৰাকী ব্যাংকাৰৰ নেতৃত্বত আৰু জাৰ্মানিৰ শ্ৰমমন্ত্ৰী ডঃ নৰবাৰ্ট ব্লুমৰ পৃষ্ঠপোষকতাত এই অনুষ্ঠান পতা হৈছে। 'আইকাছ'ত ১৬০ গৰাকী সদস্য, যিসকল হ'ল জাৰ্মানিৰ অধিবাসী। কিছু সংখ্যক জাৰ্মানবাসী ভাৰতীয় ব্যক্তিও 'আইকাছ'ৰ সৈতে সংযুক্ত হৈছে সদস্য হিচাপে। এই দয়াৰ্দ্ৰ-হৃদয় ব্যক্তিবৰ্গই তেওঁলোকৰ জন্মদিনত, বিবাহ-বাৰ্ষিকীত, আৰু অন্যান্য উৎসৱ-অনুষ্ঠান উপলক্ষ্যেও এই 'আইকাছ'ত বৃজন পৰিমাণৰ ধন দান কৰে। বিশেষকৈ ভাৰতৰ অসহায় শিশুসকলৰ বিদ্যাশিক্ষাত, আৰু প্ৰতিবন্ধী শিশুসকলৰ বাবে হুইলচেয়াৰ, কৃত্ৰিম অঙ্গ-প্ৰত্যঙ্গ আৰু অন্যান্য প্ৰয়োজনতো এই ধন ব্যয় কৰা হয়। 'আইকাছ'ৰ সদস্যসকলে প্ৰদান কৰা ধনেৰে ভাৰতীয় শিশুসকলৰ বাবে পঢ়াশালি-নিৰ্মাণ, হস্পিটল, পুথি-ভঁৰাল, পাৰ্ক আৰু আমোদ-প্ৰমোদৰ কেন্দ্ৰও নিৰ্মিত হৈছে। তেওঁলোকৰ প্ৰদত্ত ধন কেনেকৈ ব্যয় কৰা হৈছে তাৰ লেখ ল'বলৈ 'আইকাছ'ৰ সদস্যসকলে ঘনাই ভাৰতলৈ আহে। দয়াশীলতাই কোনো দেশৰ সীমা নামানে।

ভাৰতীয় চিত্ৰকলাৰ আদৰ-কদৰ

লনডনৰ বিখ্যাত নিলামিদাৰ 'ক্ৰিস্টিজ'-ত পুনৰ এবাৰ ভাৰতীয় চিত্ৰকলাৰ প্ৰদৰ্শনী পতা হৈছিল। বিশ্বৰ চিত্ৰপ্ৰেমীসকলে ভাৰতীয় চিত্ৰকলালৈ যি আগ্ৰহ-ঔৎসুক্য প্ৰকাশ কৰিলে, সি বাস্তৱিকেই মন কৰিবলগীয়া। ৰাজা ৰবি বৰ্মাকৃত 'শাড়ী পিন্ধা নাৰী' চিত্ৰখনে ২০,৩০,০০০ টকাতকৈও অধিক মূল্য প্ৰাপ্ত হৈছে, যি-মূল্য আছিল তালিকাবদ্ধ মূল্যৰ দুগুণ। এন-এছ. বেন্দ্ৰে-কৃত চিত্ৰ এখন ১১,৬০,০০০ টকা মূল্য হিচাপে লভিছে। কে.কে. হেব্বৰ, গণেশ পাইন, অঞ্জলি এলা মেনন প্ৰমুখ চিত্ৰকাৰৰ চিত্ৰয়ো যথেষ্ট মূল্যমান লাভ কৰিছে। লনডনৰ আন এখন লিলাম-সংস্থায়ো অহা অকটো'বাৰ মাহত নিউৱৰ্কত ভাৰতীয় চিত্ৰকলাৰ ৬০০ খন চিত্ৰৰ প্ৰদৰ্শনী পাতিব।

মহৎ কাৰণত উত্তৰ মেৰুলৈ প্ৰথম মহিলা

ক্ৰিস্টিন জ্যানিয়াঁ নামৰ ফ্ৰান্সৰ ৪০ বছৰীয়া এগৰাকী মহিলা চিকিৎসকে তেওঁৰ ৰুশ্বী পথ ছাৰ্জেই অ'গ'ৰ'নিকফৰ লগত প্ৰদৰ্শক যোৱা মাৰ্চ মাহৰ ৩ তাৰিখে ৰুশ্বদেশৰ উত্তৰসীমাৰপৰা উত্তৰমেৰুলৈ খোজ কাঢ়ি যাবলৈ যাত্ৰা কৰি ৬০ দিনতে উত্তৰমেৰু পাইছিলগৈ। কেৱল খোজ কাঢ়ি যোৱাটোৱেই ক্ৰিস্টিনৰ উদ্দেশ্য নাছিল, লগতে — অসুস্থ শিশুসকলৰ চিকিৎসাকেন্দ্ৰ এখন স্থাপনৰ বাবে ক্ৰিস্টিনে তেওঁৰ এই যাত্ৰাপথত ধন সংগ্ৰহো কৰিছিল।



ভাগৱত – মেলা

©1997 UBC Feature World. All rights reswrved

তামিলনাডুৰ তান্‌জউৰ নামৰ সুৰম্য চহৰখনৰপৰা ১৮ কিল'মিটাৰ দূৰত মেলাট্টুৰ নামৰ এখন গাঁও আছে। ইয়াত প্ৰতি বছৰ নৰসিংহ-জয়ন্তী উপলক্ষ্যে ভাঙৰ মেলা পতা হয় আৰুতাত নৃত্য-নাট্য প্ৰদৰ্শিত হয়। এই উৎসৱ চাই দৰ্শকে অপাৰ আনন্দ লাভ কৰে আৰু সুন্দৰৰ অনুভূতি প্ৰাপ্ত হয়। এই নৃত্য-নাট্য প্ৰকৃততেই লোক-নাট্যৰ ধাৰক-বাহক।

ভাগৱত-মেলাৰ বিষয়ে বিশদ জানিবলৈ হ'লে আমি কমেও পাঁচ শতিকাৰ আগৰ ইতিহাসৰ পাত লুটিয়াই চাব লাগিব। দক্ষিণ-ভাৰতৰ শাসক তেলুগু নায়কৰজা আছিল শিল্পকলাৰ পৃষ্ঠপোষক তথা সাংস্কৃতিক কৰ্মকাণ্ডলৈ উৎসাহপ্ৰদানকাৰী। এই নায়ক ৰজায়েই এই ভাগৱত-মেলা পতাৰ বাবে পাঁচশ তেলুগু ব্ৰাহ্মণলৈ মেলাট্টুৰ গাঁওখন দানস্বৰূপে আগবঢ়াইছিল।

মেলাট্টুৰৰ বৰদৰাজস্বামীৰ মন্দিৰৰ প্ৰাংগণত নাট্য-প্ৰদৰ্শনৰ বাবে এক সুন্দৰ বেদি স্থাপিত হৈছিল। মন্দিৰৰ মূৰ্তি অলংকাৰ-বিভূষিত। এই মূৰ্তিক ভাগৱত-মেলাৰ সময়ত মন্দিৰৰ দুৱাৰমুখত স্থাপন কৰা হয়, আৰু সেই মূৰ্তিৰ সমুখতে প্ৰধানতঃ ভাগৱত-সম্পৰ্কীয় নৃত্য নাট্য প্ৰদৰ্শন কৰা হয়। বেদিৰ পিছফালে বাদ্যকৰ সকল বহে।

ভাগৱত-মেলাত প্ৰদৰ্শিত নৃত্য-নাট্যসমূহৰ বিষয়বস্তু অধিককৈ পুৰাণৰপৰা বোটলা হয়। এই নাটকৰ বিষয়বস্তুসমূহত ভাগৱত-কথায়েই মুখ্যতঃ স্থানলাভ কৰে।

ভাৰতৰ পৌৰাণিককালৰ ৰাজৰ্ষি

ব্ৰহ্মদত্ত

পঞ্চালদেশৰ ৰজা ব্ৰহ্মদত্ত আছিল দয়ালু ৰজা। যিকোনো পৰিস্থিতিত তেওঁ ধৰ্মৰ বাটেৰে চলিছিল, কেতিয়াও কোনো অৱস্থাতেই অধৰ্মৰ বাটেৰে খোজ নলৈছিল। তেওঁৰ মাজত অন্য এক বিশেষ গুণ আছিল এয়ে যে— তেওঁৰ জগতৰ সকলো প্ৰাণীৰ — আনকি কীট-পতঙ্গাদিৰ ভাষাও বুজি পাইছিল।

এদিন সায়ংকালত পত্নীৰে সৈতে উদ্যানবনত বিহাৰ কৰি থাকোঁতে এডৰা জোপোহাৰ্লে চাই মহাৰাজে হাঁহিলে। মহাৰাণীয়েও জোপোহাডৰালৈ চালে, কিন্তু তাত একোকে নেদেখি মহাৰাজক সুধিলে, "আপুনি কিহৰ কাৰণে হাঁহিলে ?"

মহাৰাজে ক'লে, "এনেয়ে—, একো নহয়।"

"এনেয়ে—মানে ? কোনো কাৰণ নোহোৱাকৈ কোনোবাই হাঁহেনে ?"

ব্ৰহ্মদত্ত আছিল সত্যনিষ্ঠ ৰজা। ৰাণীৰ প্ৰশ্নৰ উত্তৰত তেওঁ তেওঁৰ হাঁহিথ'কাৰ কাৰণ হিচাপে ক'লে, "জোপোহাৰ মাজত থকা দুটা পৰুৱাই যি-কথাত কাজিয়া কৰি আছিল, তাকে শুনি মোৰ হাঁহি উঠিছিল।"

"কি কয়!" মহাৰাণীয়ে আচৰিত মানি কৈ উঠিল, "পৰুৱাৰ মাত আপুনিনো বুজি পায়নে ?"

"পাওঁ।" মহাৰাজে সহজ ভংগীৰেই ক'লে, "মই জগতৰ সকলো প্ৰাণীৰ আনকি কীট-পতঙ্গৰো ভাষা বুজি পাওঁ।"

কিন্তু মহাৰাজৰ কথাত মহাৰাণী পতিয়ন নগ'ল। মহাৰাণীয়ে ক'লে, "মই ইমানেই আজলীজনীনে যে এইবোৰ হাঁহিউঠা কথাতো হয় কৰিম ?"

কিন্তু মহাৰাজে যেতিয়া পুনৰ ক'লে যে তেওঁ যি কৈছে পৰিপূৰ্ণ সত্য, তেতিয়া মহাৰাণীয়ে বিশ্বাস নকৰি নোৱাৰিলে আৰু সুধিলে, "হয়নে—? এনে অদ্ভুত ক্ষমতা—আপুনি পালেনো কেনেকৈ?"

মহাৰাণীৰ প্ৰশ্নৰ উত্তৰত মহাৰাজে ক'লে, "শুনি —তুমি কিজানি বিশ্বাসেই নকৰিবা যে—এই অদ্ভুত ক্ষমতা মই কেনেকৈ পালোঁ—সেই কথা মই নিজেও ক'ব নোৱাৰোঁ।" এই বুলি কৈ মহাৰাজে ঈশ্বৰক সুঁৱৰি থাকিল।

পাছদিনা তেওঁ ৰাজসভালৈ বুলি ৰাজপ্ৰাসাদৰপৰা ওলাই অহাৰ লগে লগে এগৰাকী বৃদ্ধ ব্ৰাহ্মণে মহাৰাজক ৰখাই কেইফাকিমান শ্লোক মাতিলে। এই শ্লোকতে ব্ৰহ্মদত্তৰ পূৰ্ব-জন্মৰ বৃত্তান্ত নিহিত আছিল। শ্লোকত কোৱা হৈছিল:

একালত ব্ৰহ্মদত্ত আছিল এজন মুনিকুমাৰ। দেশত আকালৰ কালত ক্ষুধাৰ যাতনা সহিব নোৱাৰি তেওঁ তেওঁৰ গুৰুৰ পোহনীয়া পশু এটা বধি মাংসাহাৰ কৰি ক্ষুধাৰ নিবৃত্তি কৰিছিল। এই পাপ কৰাৰ কাৰণে ব্ৰহ্মদত্ত বহু-বাৰ জনমি যাতনা ভুঞ্জিবলগীয়া হৈছিল। তাৰ পাছত পুনৰ মুনিকুমাৰ ৰূপে জনমিছিল। তেতিয়া এগৰাকী ৰজাৰ বৈভৱলৈ চাই মুনিকুমাৰ ব্ৰহ্মদত্তৰ নিজৰ সম্পৰ্কে খেদ হোৱাত এই জনমত তেওঁ ৰজা হৈ জনমিলে। সৰ্বপ্ৰাণীত—তথা সৰ্বভূতত নিজক প্ৰত্যক্ষ কৰাৰ শক্তি তেওঁ পূৰ্ব-পূৰ্ব জনমত লভিছিল, আৰু এইদৰেই সৰ্বপ্ৰাণীৰ মাত-বোল বুজি-পোৱা হৈছিল।

ব্ৰহ্মদত্তৰ কাহিনীয়ে আমাক পূৰ্ব-জন্মৰ শক্তিৰ বিষয়ে উপলব্ধি প্ৰদান কৰে, প্ৰদান কৰে আত্মশক্তিৰ মহিমাৰে উদ্ভাসি উঠা সৰ্বভূতেষু সংস্থিত হোৱাৰ সেই কালজয়ী অখণ্ডনীয় মতবাদ।

জানন-মানন

ভাহন-হিমৰ সৃষ্টি-মেৰুদেশৰ কৃষ্টি

©1997 UBC Feature World. All rights reserved

সাগৰৰ বুকুত ভাহি থকা বৰফৰ স্তূপক ইংৰাজিত 'আইছবাৰ্গ' বোলে। যেতিয়া মেৰুপ্ৰদেশৰ (উত্তৰ বা দক্ষিণ) দিগন্ত-বিয়পা বৰফৰ স্তূপৰপৰা ফাটি আহি হিমবাহৰ সৃষ্টি হয়, তেতিয়া উটি-ভাহি থকা 'আইছবাৰ্গ' পৰিলক্ষিত হয়। পৃথিৱীৰ দক্ষিণ মূৰত বৃহত্তম 'আইছবাৰ্গ' দেখা গৈছে। অ্যান্টাৰ্কটিকাৰ হিম-পৰ্বতৰপৰা ফাটি অহা ভাহি থকা আইছবাৰ্গ দীঘলে প্ৰায় ৬০ মাইল, বহলে ২০ মাইল আৰু ৩৫০ ফুট ওখ। এনেবোৰ ভাহি থকা বৰফ-স্তূপতে অস্থায়ী বৈজ্ঞানিক গৱেষণা-কেন্দ্ৰ পতা হয়, এইবোৰ স্তূপত উৰাজাহাজো নমোৱা হয়। পৃথিৱীৰ উত্তৰ-ভাগত থকা আইছবাৰ্গবোৰ তুলনামূলকভাৱে ক্ষুদ্ৰাকাৰ। এইবোৰ ক্ষুদ্ৰাকাৰ আইছবাৰ্গ সাধাৰণতঃ গ্ৰিনল্যাণ্ডৰপৰা অ্যাটলাণ্টিকৰ দক্ষিণলৈ উটি-ভাহি গৈ থাকে।

ৰাম-জখলা



©1997 UBC Feature World. All rights reserved

দৃষ্টিহীনতাৰ দৃষ্টি-ব্ৰেয়িলৰ সৃষ্টি

লুই ব্ৰেয়িল নামৰ ১৫ বছৰীয়া ছাত্ৰ এজনে পৃথিৱীৰ সকলো দৃষ্টিহীন মানুহৰ জীৱনধাৰাক আমূল পৰিৱৰ্তিত কৰিলে। লুয়ে দৃষ্টিহীনসকলৰ বাবে এক নতুন ভাষা-পদ্ধতি আৱিষ্কাৰ কৰিছিল। এই অভিনৱ ভাষাৰ নাম 'ব্ৰেয়িল'। এই ভাষাৰ যোগেদি দৃষ্টিহীনসকলে লিখিব-পঢ়িব পাৰে। তাঁৰৰ নিচিনা কিছুমান ৰেখা আৰু ওখ-চাপৰ বিন্দুৰ সহায়ত এই অভিনৱ ভাষাৰ সৃষ্টি কৰা হৈছে। ব্ৰেয়িল-ভাষাৰ টাইপৰাইটাৰো আছে, যি-টাইপৰাইটাৰ দেখাত সাধাৰণ টাইপৰাইটাৰৰ নিচিনা। ছটা চাবি থকা জীৱন্ত ভাষাৰূপী এই অভাৱিত-অভিনৱ টাইপৰাইটাৰ 'ব্ৰেয়িলেটাৰ' বুলি অভিহিত।



গৰীয়া নামৰ গুৰিত...

বিৰামপুৰৰ বিনন্দ অতি ভাগ্যশালী মানুহ। তেওঁৰ ধন-ধানৰ হিচাপ তেওঁৰ নিজেও নজনা, আনেও উমান ল'ব নোৱৰা। যি কি নহওক—তেওঁৰ অপৰিমিত ধন-ধানেও মৰণক যেতিয়া ভেটিব নোৱৰা হ'ল, তেতিয়া মৰণত শৰণ লোৱাৰ আগে আগে সকলোখিনি সা-সম্পত্তি হৰি আৰু গিৰি নামৰ পুতেক দুজনৰ মাজত সমানভাবে ভগাই দিয়া হ'ল, আৰু তাৰ পাছত এদিন তেওঁ ধীৰে-সুস্থিৰে বৈকুণ্ঠী হ'ল।

হৰি-গিৰিৰ দিনবোৰ মজাছেই কাটি আছিল। হঠাৎ যে এদিন নোকোৱা-নোবোলাগৈ পানীত পৰা হ'ব—সেই কথা কস্মিনকালেও ভবাৰ যোগ্য বুলি নাভাবিছিল। সিহঁতে—সেই যে বচনত বোলে—'নাকান্দ ছলি পাবি, বাপেৰে গৈছে কল ৰুবলৈ থোক পৰিলে খাবি' — বিধৰ জীৱনেই যাপি আছিল। অকস্মাৎ যেনিবা বজৰৰ আঘাত বজ্রাঘাতেই হ'ল।

হ'ল—কিন্তু সেই বজ্রাঘাতেও সিহঁতক কাবু কৰিব নোৱাৰিলে।

বাপেকৰ পাই ধন হৰিৰ নাই কামত মন। সি হৰিয়ে তাৰ 'পাই-ধন'খিনি মজাছে উৰাবলৈ ধৰিলে, তাৰ ন-কৈ গেটোৱা বন্ধু-বান্ধৱহঁতে হৰিৰ লগত হৰিল-গৰিল কৰিবলৈ ধৰিলে, সদা-সৰ্বক্ষণ 'আড্ডা'ত মছগুল হৈ থাকিবলৈ ধৰিলে, আৰু সিহঁতে হৰিৰ নামত হৈ-ধ্বনিৰে আকাশ ফালিবলৈ ধৰিলে।

হৰিৰ এতিয়া যিমান ক্ষয়, সিমানেই জয়-জয়, যিমান দিয়ে দান, সিমানেই পায় মান, হৰিল-গৰিল গৰিলাহঁতক কৰে ধন

আব্দুল মজিদ

দান, আৰু যে পায় বাহ্‌বাহী সন্মান।

কিন্তু—খাপৰিইটাৰ পঁজাত থকা গিৰিলৈ কোনো এজনেও সোধ-পোছো নকৰে। কেৱল তাৰ ঘৈণীয়েক গুণেশ্বৰীয়েহে গিৰিয়েক গিৰিৰ শলাগ ধৰে। গিৰিয়ে গুণেশ্বৰীয়ে সামিল-মিল, সেইহে লোকৰ যদিও খায় কিল, তথাপি সিহঁতহাল খুহুদিল। সিহঁতহাল অতি সাধাৰণ ঘৰ এটাত সাধাৰণভাবে থাকে, কিন্তু সাধাৰণতাৰ মাজতে অসাধাৰণ সুখৰ চিত্ৰ আঁকে। কেৱল নিজৰে নহয়, আনবো ভাললৈ চিন্তা কৰি কটায় দিন, কিন্তু অবুজ ৰাইজে গিৰিক কয় মহা-কিৰ্পিণ, ছদকা-খোৱা কটকিন—আৰু যে কত কি—সদায় শুনে সি।

চুবুৰীয়া গাঁৱত অচলপতি নামৰ আন এজন মানুহৰ বাস। বহুতেই আঁৰত কয়—যাৰ নাই কোনো গতি তাৰ নাম অচলপতি। অচলপতিৰ ল'ৰা সচলগতি, আৰু ছোৱালীৰ নাম জয়মতী। জয়মতীজনী উঠন হ'ল কাহানিবাই। আৰু সেইহে — তাইৰ কাৰণে দৰা, আৰু দৰাৰ লগতে ধনো বিচৰাত লাগিল।

এদিন চুবুৰীয়া এগৰাকী মানুহে তীৰ্থলৈ বুলি যাত্ৰা কৰোঁতে অচলপতিৰ ওচৰত এটা আঙঠি থৈ গ'ল। মানুহগৰাকীৰ—বজ্ৰধৰৰ বক্তব্য হ'ল যে—আন সকলো বস্তু সামৰি থৈছে—কিন্তু এই সাতামপুৰুষীয়া আঙঠিটো আঙুলিৰপৰা সোলোকাই নিৰাপদ ঠাইত থৈ দিবলৈ পাহৰি গৈছে, গতিকে—এতিয়া পূৰ্ব-পুৰুষৰপৰা বংশপৰম্পৰা সূত্ৰে পোৱা এই আঙঠিটো অচলপতিৰ জিম্মাত থৈ যোৱাৰ বাহিৰে উপায় নাই। তীৰ্থৰপৰা উভতি আহি ওভোতাই ল'ব।

বজ্ৰধৰৰ কথা শুনি পোনতে অচলপতিয়ে আঙঠিটোৰ দায়িত্ব নল'ব বুলিয়েই ভাবিছিল; কিন্তু হাজাৰ হওক চুবুৰীয়া, চুবুৰীয়াক চুবুৰীয়াই নেদেখিলে পাছত যে এই কথাত চুবুৰীয়াহঁতে তাক জুবুৰিয়াব — সেই কথাটি গমি — বজ্ৰধৰৰপৰা আঙঠিটো ল'লে।

অচলপতিয়ে বজ্ৰধৰ আঙঠিটো ঘৰৰ চন্দুকত থকা গহনাৰ বাকচটোত থৈ দিলে,



ভবিবা, তোমাৰ ছোৱালীজনী আমাৰ বোৱৰী হৈয়েই গ'ল।"

এই আঙঠিটোলৈ বিভাৱতীয়ে মনেই কৰা নাছিল। এইটো যে কাৰ — কেনেকৈ এই বাকচত আহিল — কোনে আনিলে— তেওঁ একোকে নজনা। ইপিনে—দৰাৰ মাক বোলা কথা—নিদিলেও কথা বেয়া হ'ব পাৰে। গতিকে—সাতে সোতৰই ভাবি—আৰু অধিকভাৱে নাভাবি — দোধোৰ - মোৰত পৰা কইনাৰ মাক বিভাৱতীয়ে আঙঠিটো দৰাৰ মাকক দিলে, আৰু তাৰ পাছতেই দৰাৰ মাক পুতেকৰ সৈতে ৰংমনে ঘৰলৈ বুলি কেপেয়া-লাখুটি হৈ দিলে।

এই ঘটনাৰ কেইদিনমানৰ অন্তত বজ্রধৰ তীর্থৰপৰা উভতি আহিল, আৰু পাছদিনা তেওঁৰ আঙঠিটো অচলপতিৰপৰা খুজিলে।

অচলপতিয়ে তেতিয়ালৈকো আঙঠিটো দৰাৰ মাকক দিয়াৰ কথা — একোকে নজনা। গতিকে — আঙঠিটো চন্দুকৰপৰা আনি দিবলৈ অচলপতি ঘৰৰ ভিতৰলৈ গ'ল। চন্দুকটো খুলিলে, আৰু তেতিয়াহে মৰিবৰ ঔষধ গলত বন্ধাৰ কথা—হ'বধৰা বিয়নীক সেই আঙঠিটো দিয়াৰ কথা—বিহ খাই বিহ ভুগি মৰাৰ কথা — বিভাই বিত বিতকৈ অচলক সুচলকৈয়েই ক'লে।

আৰু — আন কোনো উপায় নেদেখি অচলপতিয়ে আঙঠিটো-সম্পৰ্কিত ঘটনাৰ কথা বজ্রধৰকো ভাঙি-পাতিয়েই ক'লে,

কিন্তু পাছত কথাটো ঘৈণীয়েকক ক'বলৈ একেবাৰে পাহৰিলে।

পাছদিনা জয়মতীক চাবলৈ দৰা আৰু দৰাৰ মাক অচলপতিৰ ঘৰলৈ আহিল। জয়মতীক চাই এওঁলোকে ভালেই পালে, আৰু বিয়াৰে কথা খাটাং কৰিলে। তাৰ পাছত—কইনাক কি কি গহনা-গাঠৰি দিব বুলি সোধাত অচলপতিৰ পৰিবাৰ বিভাৱতীয়ে দৰাৰ মাকক ঘৰৰ ভিতৰুৱা কোঠালৈ লৈ গ'ল আৰু সেই চন্দুক খুলি বাকচত থকা গহনাখিনি দেখুৱা হ'ল। দৰাৰ মাকে গহনাখিনি চাই বিশেষকৈ সেই আঙঠিটো বৰ ভাল পালে আৰু ক'লে, "এই আঙঠিটো বৰ ধুনীয়া! এই আঙঠিটো যদি মোক এতিয়াই দিয়া,

কোনো মিছাৰ আশ্ৰয় নল'লে।

শুনি বজ্ৰধৰে অচলপতিক ক'লে, "তোমাৰ সততাৰ বিষয়ে আমি সকলোটিয়েই উত্তমৰূপে জ্ঞাত আছোঁ। কিন্তু তাৰ অৰ্থ এয়ে নহয় যে — আমাৰ সাতামপুৰুষীয়া এই আঙঠিটোৰ কথা পাহৰি থাকিব পাৰিম। গতিকে — আঙঠিটো তোমাৰ বিয়নীৰপৰা ঘূৰাই আনিব পৰা উপায় কিবা এটা ভাবি উলিয়াব লাগে। এই বাবে মই তোমাক পোন্ধৰ দিনৰ সময় দিছোঁ।"

"আপোনাৰ কথা অত্যন্ত ন্যায্য। কিন্তু —বিয়নীৰপৰা এই আঙঠিটো খুজি ল'লে যদি জয়মতীৰ বিয়াখন বন্ধ হৈ যায় — কথা বৰ বিষম হ'ব। কথা এটা কওঁ। এনেকুৱা আঙঠি এটা—গঢ়িব নোৱাৰিনে ?"

অচলপতিৰ কথাৰ উত্তৰত বজ্ৰধৰে ক'লে, "কিন্তু আমাৰ সাতামপুৰুষীয়া বস্তু এটা ঘূৰাই নোপোৱাটোও উত্তম নহ'ব। এই আঙঠিটো দেখাত সৰু, কিন্তু দামত গুৰু। এনেকুৱা এটা আঙঠি গঢ়ি আনিবলৈ হ'লে —কমেও দুহেজাৰ মুদ্ৰাৰ আৱশ্যক হ'ব।"

শুনি অচলপতিৰ মূৰত যেনিবা সৰগেই পৰিল। ছোৱালীৰ বিয়া পাতিবলৈ বহু চেষ্টাৰে পাঁচহেজাৰমান মুদ্ৰা গোটাইছে। তাৰপৰ যদি দুহেজাৰ দিব লাগে — থাকিবনো কি ? বিয়া পাতিবনো কিমতে ?

গতিকে—বজ্ৰধৰে পোন্ধৰ দিনৰ সময় দি গুচি যোৱাৰ পাছ মুহূৰ্তেতে অচলপতিয়ে বাধ্যত পৰি ধনী মানী-দানী হৰিৰ কাষ চাপিলগৈ।

দুহেজাৰমান মুদ্ৰা ধাৰলৈ বিচাৰি ওলোৱা অচলপতিয়ে হৰিক এই অথন্তৰীয়া কাণ্ডৰ



কথা বুজাই ক'বলৈ চেষ্টা কৰাত হৰিয়ে কৈ উঠিল, "কাৰোবাৰ জীৱনকাহিনী শুনাৰ সময় মোৰ নাই। এয়া লওক — এই দহটা মুদ্ৰা লৈ যাওক, মোক মিছামিছি জলা-কলা নকৰক।"

তাত বহি আড্ডা মাৰি থকা হৰিৰ হৰিল-গৰিল বন্ধুহঁতে হৰিৰ কথাত ৰং পাই আৰু দান হিচাপে দহটা মুদ্ৰা দিয়ালৈ চাই তাৰ নামত জয়ধ্বনি দিলে, আৰু অচলপতিয়ে একপ্ৰকাৰে অপমান পাই তেতিয়াই তাৰপৰা খোজ ল'লে।

তাৰ পাছত অচলপতিয়ে তেওঁৰ ল'ৰাটোক—সচলক গিৰিৰ ওচৰলৈ যাবলৈ ক'লে। কিন্তু সচলপতিয়ে মহা-কিৰ্পিণ গিৰিৰ ওচৰলৈ যোৱাৰ কোনো অৰ্থ বিচাৰি নাপাই ভুৰু কোঁচাই বৈ দিলে।

পাছত সি গিৰিৰ ওচৰলৈ যাবলৈ স্থিৰ কৰিলে, কিয়নো—অভাৱে নিয়ম নামানে, অভাৱে ভাল-বেয়াৰ বিচাৰ নাজানে, অভাৱে উচিত-অনুচিত নুশুনে।

কিন্তু গিৰিয়ে হৰিৰ দৰে কঠুৱা আচৰণ নকৰিলে। মহাকিৰ্পিণ গিৰিয়ে সচলপতিক আথেবেথে বহিবলৈ দিলে, আৰু অতি ধৈৰ্যেৰে তাৰ সকলোখিনি কথা মনপুতি শুনিলে।

সচলপতিৰপৰা অচলপতিৰ দুৰ্ভাগ্যজনক অথন্তৰৰ কথা শুনাৰ অন্তত গিৰিয়ে সচলক ক'লে, "শুনা, মই বজ্ৰধৰকো চিনি পাওঁ, আৰু সিহঁতৰ উপৰিপুৰুষীয়া সেই আঙঠিটোৰ কথাও জানো। এনেকুৱা আঙঠি যেইসেই সোণাৰীয়ে গঢ়িব নোৱাৰে, কেৱল মোহন-পুৰৰ সুমন সোণাৰিয়েহে গঢ়িব পাৰে। তোমাক লগত লৈ মই সুমনসোণাৰিৰ ওচৰলৈ যাম, আৰু ঠিক সেই আঙঠিৰ নিচিনা হুবহু আন এটা আঙঠি গঢ়াই দিম। — বজ্ৰধৰৰ আঙঠিটোৰ সমান আন এটা আঙঠি বজ্ৰধৰৰ খুড়াদেউৰ হাততো আছে, আৰু বজ্ৰধৰৰ খুড়াদেউ সেই মোহনপুৰ গাঁৱতে থাকে —।"

"কিন্তু—" সচলপতিয়ে সজল চকুৰে চাই ক'লে, "ইমানখিনি ধন মোৰ ওচৰত নাই। আৰু — ইমানখিনি ধন পৰ্টকৈ গোটাব

পাৰিম বুলিও বৰ আশা—"

"হ'ব, হৈ যাব।"

সচলপতিক হাত দাঙি ৰখাই গিৰিয়ে কৈ উঠিল, "তোমাৰ দেউতাৰাৰ ওচৰত যিখিনি ধন—তোমাৰ ভনীয়েৰাৰ বিয়াৰ বাবে আছে, এতিয়া তেওঁ তাৰপৰা দিয়ক, মই দুদিনমানৰ পাছত তোমাৰ দেউতাৰাক মুদ্ৰা দুহেজাৰ নিশ্চয় দিম। হ'বনে ?"

মহাকিৰ্পিণ গিৰিৰ এই প্ৰস্তাৱ শুনি সচল অচল হৈ অলৰ হ'ল। গিৰিৰ এই প্ৰস্তাৱত—আনকি 'নহয়' বুলি কোৱাৰ সামান্যমান সাহসো তাৰ নহ'ল।

তাৰ পাছত — গিৰিয়ে অচল সচলক লগত লৈ মোহনপুৰলৈ গৈ সুমনসোণাৰিক লগ কৰিলে আৰু পাছত সুমনসোণাৰিক লৈ বজ্ৰধৰৰ খুড়াকৰ ঘৰলৈ গৈ তেওঁক সকলোখিনি কথা বুজাই কৈ হুবহু সেই আঙঠিটোৰ নিচিনা এটা আঙঠি ৰাতিটোৰ ভিতৰতে গঢ়াই ল'লে।

তাৰ পাছত গিৰিয়ে সচলপতিক লগত লৈ অচলপতিৰ বিয়েৰ কাষ চাপিলে আৰু ক'লে, "ডাঙৰীয়া, যদিও বিয়নীয়ে বাৰণেই কৰিছিল, তথাপি অচলপতিৰ পৰিবাৰ বিভাৱতীয়ে জোৰ-জবৰি কৰি সেই সৰুৱো সৰু আঙঠিটো বিয়নীৰ আঙুলিত পিন্ধাই দিছিল। যেতিয়া পিন্ধাই দিছিল—সেই আঙঠিটো যে কাৰ—সেই কথা বিভাৱতীয়ে নাজানিছিল।" ইমানলৈকে কোৱাৰ অন্তত

সিদিনাৰ আঙঠি-ঘটিত ঘটনাৰ কথাখিনি গিৰিয়ে-সচলে মিলি বিবৰি ক'লে, তাৰ পাছত গিৰিয়ে পুনৰ অচলপতিৰ বিয়ৈক ক'লে, "এতিয়া—অচলাপতি ডাঙৰীয়াই এই আঙঠিটো গঢ়ালে। দুয়োটা আঙঠি মিলাই চাওক — হুবহু একেই। কেৱল — সেইটো পুৰণি আৰু এইটো নতুন—পাৰ্থক্য কেৱল ইমানেই। অচলপতি ডাঙৰীয়াই সেই পুৰণি আঙঠিটোৰ সলনি এই নতুন আঙঠিটো বিয়নীলৈ মৰমৰ উপহাৰস্বৰূপে আমাৰ যোগেদি পঠাই দিলে। যদি এই কথাত বেয়া নাপায় — সেই পুৰণিটোৰ সলনি নতুন আঙঠিটো লৈ আমাক কৃতাৰ্থ কৰক।"

গিৰিৰ কথাত বিয়ৈ অতি তুষ্ট হ'ল আৰু

বিয়নীয়েও সহজ মনেৰে হাঁহি মুখেৰেই সেই আঙঠিটো সোলোকাই এই আঙঠিটো আঙুলিত পিন্ধি ল'লে আৰু ক'লে, "তেওঁলোকৰ সজৰো সজ লোক দেশত নোহোৱা হৈ আহিছে। আমি নিচিনা যে কিমান ভাগ্যৱান—সেই কথা আপোনাক কেনেকৈ বুজাই ক'ম ?"

এইদৰে সেই আঙঠিটো — বজ্ৰধৰে বিশ্বাস কৰি থৈ যোৱা আঙঠিটো—ঘূৰাই পাই অচলপতিয়ে গিৰি হাত দুখনত কৰি ক'লে, "ওৰে জীৱনলৈ আপোনাৰ ওচৰত আমি ঋণী হৈ থাকিলোঁ। আপোনালৈ — আমি যে কেনেকৈ ওলগ জনাম — একেবাৰেই ভাবি নোপোৱা হৈছোঁ।"

গিৰিয়ে অচলপতিৰ হাতৰ পৰা নিজৰ হাত লাহেকৈ এৰুৱাই লৈ ক'লে, "মহাশয়, আনক সহায় কৰা—মানুহৰ স্বাভাৱিক সহজ ধৰ্ম, নহ'লে মানুহ মানুহ নামৰ যোগ্য নহয়।"

তেতিয়া সচলে বিস্ময়ভৰা কণ্ঠেৰে কৈ উঠিল, "আপোনাক যে কিয় ৰাইজে মহাকিৰ্পিণ বুলি কয় — সেই কথাৰ আগ-গুৰি বুজি নাপাওঁ। আপোনাৰ ককায়েৰ হৰিও যিমান সম্পদৰ গৰাকী, আপুনিও সিমানেই সম্পদৰ গৰাকী। তথাপি — আপুনি তেওঁৰ দৰে হোলগোঁজ নহৈ হোলাই হোলাই নগৈ—হাই দি খাই বিং দি নপলাই—নিজৰ লগুণ পৰক দি বামুণ হুতাশন হৈছে যে — তাৰ দেখোন কোনো মূল্যেয়েই নাই! এয়েনে আমাৰ ৰাইজ ? এয়েনে আমাৰ সমাজ ?"

গিৰিয়ে হাঁহি মাৰি ক'লে, "বোপা, সহায় খোজাজনক বিনাপ্ৰশ্নে সহায় কৰাজনক ৰাইজে দানী বুলি কয়; কিন্তু এই কাৰণে যে — মগনিয়াৰৰ সংখ্যা বাঢ়ে নিচেই সৰুবেপাৰাই এই কথালৈ মন কৰা হেতুকে দানী হিচাপে মানী হোৱাৰ আকাংক্ষা মোত নোহোৱা হৈছে। কেৱল নামত মোৰ তৃপ্তি নাই, আছে প্ৰকৃত কামত। আৰু — প্ৰকৃত কাম কৰিবলৈ হ'লে কোনো প্ৰকাৰৰ বিচাৰ-বিবেচনা নকৰাকৈ কৰিব নোৱাৰি। কিন্তু বিচাৰ-বিবেচনাৰে আনক সহায় কৰিবলৈ যে কৰি-ধৰি গৰীয়া নাম ল'ব লগীয়া হ'ব পাৰে —তালৈকো সাজু হৈ থাকিব লাগিব।"





ধৰমৰ খুঁটি

ৰংপুৰ যদিও গাঁও-তথাপি এখন সৰুসুৰা ৰাজ্য। এদিন গাঁৱৰ তথা ৰাজ্যৰ কিছুমান গণ্য-মান্য ব্যক্তিয়ে লোক-মংগলজনক সমিতি এখন পাতিলে আৰু এই সিদ্ধান্ত ল'লে যে—গাঁৱৰ আলিবাটত দূৰণিবটীয়া বাটকৰুৱাসকলৰ কাৰণে এখন ধৰ্মশালা পাতিব লাগে। কিয়নো—বাটকৰুৱসকলে খাব-শুব পৰা কোনো খাজিখোৱা ওচৰে-পাজৰে ক'তো-কেনিও বিচাৰি পাবলৈ নাই।

ভবা মতে পতা হ'ল। ধৰ্মশালাৰ চোৱা-চিতা কৰা তত্ত্বাৱধায়ক এজানোমকৰল কৰা হ'ল। এজনী আদবুঢ়ীক লোৱা হ'ল ধৰ্মশালাত ৰান্ধন-বাঢ়ন বাবে। আৰু ইটো-সিটো কাম কৰাৰ বাবে চালাক-চতুৰ চাই এটি চাকৰ-ল'ৰাকো লোৱা হ'ল।

কিছুদিনলৈ ধৰ্মশালা নিৰ্বিঘিনিৰেই চলি থাকিল। দূৰলৈ যোৱা যাত্ৰীসকলে ধৰ্মশালাতে আশ্ৰয় লভি আন্তৰিক আশীৰ্বাদ কৰা হ'ল। অৱশ্যে—গাঁৱৰ কোনো এজনো ধৰ্মশালালৈ নাহে, খবৰো নলয়। পিছে—সেই অঞ্চলৰ মানুহখিনিৰ বাবে এই ধৰ্মশালা এক উল্লেখযোগ্য সহায় আৰু এই ধৰমশালা গাঁৱৰ ৰাইজৰ বাবে গৌৰৱৰ থলো নোহোৱা নহয়।

যাত্ৰীসকল আহে, জিৰণি লয়, খোৱা-লোৱা কৰে, ৰাতি কটায়, ৰাতিপুৱা সাধাৰণত: গুচি যায়, দুই-চাৰিয়ে দুই-এদিন থাকেও।

অধিকভাগ যাত্ৰীয়েই সাধাৰণ অৱস্থাৰ, আৰু ধৰ্মশালাৰ নিয়ম মতে পইচা-পাতি দিয়াৰ বা লোৱাৰো সুকুঙা নাই। কিন্তু—লাহে লাহে এই ব্যৱস্থাতো ঘুণে ধৰিলে, পইচা-পাতি সৰকোৱাৰ সুকুঙাও দেখা দিলে, পইচা থকা যাত্ৰীসকলে পইচাৰে অধিক আৰাম কিনিবলৈ ধৰিলে। ঘাইকৈ—ধৰ্মশালাৰ তিনিজন কৰ্মীয়ে পইচাৰ বিনিময়ত ধৰ্মশালাত সুখ বেচিবলৈ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ধৰিলে, আৰু এইদৰে ধৰ্মশালাক এক অধৰ্মশালালৈ পৰিণত কৰিলে। কিন্তু গাঁৱৰ তথা সেই ৰাজ্যৰ ৰাইজে এইবোৰ কথাৰ একোৱেই নাজানিলে।

এদিন এজন যুৱক-যাত্ৰী এই ধৰ্মশালালৈ আহিল। কিন্তু যুৱকৰ ওচৰত পইচা-পাতি নথকাত ধৰ্মশালাৰ তত্ত্বৱধায়কে যুৱকক ধৰ্মশালাত সোমাবলৈকো নিদিলে। যুৱাই ধৰ্মশালাৰ ওচৰত থকা গছ এজোপাৰ তলতে ৰাতিছোৱা পাৰ কৰিলে।

পাছত এই কথা সেই যুৱাই তাৰ বন্ধু এজনক ক'লে। বন্ধুজনে ক'লে চুবুৰীয়া গাঁৱৰ মূৰ্খফুটা এজনক। এওঁৰ নাম ৰামশৰ্মা। ৰামশৰ্মা আছিল ৰাগী-মানুহ। তেওঁ ধৰ্মশালাৰ নামত চলি থকা সুখ-বেচা দোকান এই অধৰ্মশালাৰ প্ৰতিকাৰাৰ্থে ভৃত্য এজনক লগতে লৈ ৰংপুৰৰ ধৰ্মশালালৈ গ'ল।

ধৰ্মশালা পোৱাৰ সামান্যমান আগতে ৰামশৰ্মাই তেওঁৰ ভৃত্যজনক ক'লে, "বোলোঁ ঐ নৱ, তই গাঁৱৰ ভিতৰলৈ যা, আৰু যাকে পাৱ তাকে ক'গৈ যে—আজি এই ধৰ্মশালালৈ ৰংপুৰৰ ৰজাৰ খুলশালিয়েৰ আহিছে, আৰু তাতে আছে। বছ, আৰু একো ক'ব নালাগে। কেইজনমানক ক'লেই হৈ যাব।"

তাৰ পাছত ৰামশৰ্মা ধৰ্মশালালৈ গ'ল। ধৰ্মশালাত ভৰি দিয়াৰ লগে লগেই তত্ত্বৱধায়কে ৰামশৰ্মাক ক'লে, "পইচা দিয়ক, গা ধোৱক, আৰাম কৰক।"

ৰামশৰ্মাই কলাৰ ভাও জুৰিলে, ক'লে, "ওঁ—ওঁ, মই অকলেই আহিছোঁ।" এই বুলি কৈ তেওঁ পোনে পোনেই ধৰ্মশালাৰ ভিতৰলৈ সোমাই গ'ল।

তেতিয়া আদবুঢ়ী তিৰোতাজনীয়ে যাত্ৰীহঁতক ভাত খাবলৈ দি আছিল। ৰামশৰ্মা

তালৈ গ'ল আৰু সেই তিৰোতাজনীয়ে লগে লগে কৈ উঠিল, "পইচা দিয়ক, ভাত-পানী যি লাগে দিম।"

"মই চব বস্তু খাওঁ, চিন্তা নাই।" এই বুলি কৈ তাত আগতেই বাঢ়ি থৈ দিয়া ভাতৰ কাঁহী এখনৰ আগত ৰামশৰ্মাই ধুপুচকৈ বহি দিলে।

তিৰোতাজনীয়ে চিঞৰি উঠি ক'লে, "এই ভাতখিনি তোমাক দিয়া নাই নহয় —?"

কিন্তু ৰামশৰ্মাই একোকে নুশুনাৰ ভাও জুৰি ভাত খাবলৈ ধৰিলে আৰু দন টানি খাই, মুখ-হাত ধুই, গামোচাৰে মুখ মচি থাকোঁতে তত্ত্বাৱধায়কক ক'লে," ভালকৈ বিছনা পাৰি দিয়া, মই এতিয়াই শুম।"

তত্ত্বাৱধায়কে চিঞৰি ক'লে, "বোলোঁ— ঐ কলাৰ পো কলা—টকা—টকা—টকা লাগে, টকা দিহে শুব লাগে, নহ'লে ইয়াৰপৰা ফুটিব লাগে।"

আৰু ঠিক তেতিয়াই চাৰিগৰাকী ৰংপুৰীয়া মান্য-গণ্য লোক তালৈ আহিল আৰু তত্ত্বাৱধায়কক সুধিলে, "আমাৰ ৰজাৰ খুলশালিয়েৰ বোলে ইয়ালৈ আহিছে— আছেহি ইয়াত —? তেওঁ ক'ত আছে ?"

ৰামশৰ্মাই কৈ উঠিল, "ৰজাৰ খুলশালিয়েৰৰ কথা বাদ দিয়ক। মই টকা - পইচা নিদিয়াত মোক ইহঁতে ধৰ্মশালাত থাকিবলৈ দিয়া নাই, মোক ফুটিবলৈ—ওলাই যাবলৈ কৈছে যে — তাৰ বিচাৰ আগতে কৰক।" তাৰ পাছত ৰামশৰ্মাই ইয়াত ঘটা সকলোখিনি ঘটনাৰ কথা সেই চাৰিগৰাকীৰ ওচৰত বিৱৰি ক'লে।

সেই চাৰিগৰাকীয়ে ধৰ্মশালাত থকা যাত্ৰীসকলৰপৰাও পইচা-পাতি লোৱাৰ প্ৰমাণ পালে, আৰু তেতিয়াই সেই অঞ্চলৰ আঞ্চলিক অধিকাৰীক মতাই অনাই ধৰ্মশালাক অধৰ্মশালা কৰি তোলা তিনিওকো তৎক্ষণাৎ কুকুৰ-খেদনে খেদিলে।

তাৰ পাছত সম্পূৰ্ণ নতুন কৰ্মচাৰী কেইজনমানক নিযুক্ত কৰি ধৰ্মশালাৰ খবৰ খুঁটি হিচাপে দায়িত্ব কঢ়িয়াবলৈ ৰামশৰ্মাদেউক ৰাজহুৱাকৈ অনুৰোধ কৰাত ৰামশৰ্মাদেউ সন্মত নহৈ নোৱাৰিলে।

এইদৰে, অধৰ্মী লুভীয়াহঁতক খেদি তেওঁলোকে পুনৰ ধৰ্মশালাত প্ৰকৃত পৰোপকাৰী ধৰ্মৰ প্ৰতিষ্ঠা কৰিলে।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ নভেমবাৰ সংখ্যাত ওলাব

S.G. SESHAGIRI

MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ অগাস্ট ছেপটিমবাৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ জুলাই সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : জীৱনৰ বাটলৈ আগুৱায়

দ্বিতীয় ফোটো : সেউজীয়া জীৱনে যে বিভিয়ায়

পাওঁতা : ববষা ডেকা / ভি আই পি ৰ'ড / নগাঁও / ৭৮২ ০০১ / অসম
[এই মাহৰ শেষ ভাগত পুৰস্কাৰৰ ধন পঠোৱা হ'ব।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., Chandamama Buildings, Chennai - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K. Salai, Vadapalani, Chennai - 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026



Rs. 30/-



Rs. 40/-

Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.